

PANIGAON OMPRAKASH DINODIA COLLEGE
ESTD-1984
PANIGAON N.LAKHIMPUR

# লখিমী

ই — আলোচনী

প্ৰথম সংখ্যা, ২০২৩

**বুৰঞ্জী বিভাগ,**

পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়, লখিমপুৰ


**সম্পাদনা**

যাদৱ দাস

দিক্ষিতা দত্ত




# লখিমী

ই — আলোচনী, প্ৰথম সংখ্যা, ২০২৩

## সম্পাদনা সমিতি

### উপদেষ্টা

জয় প্ৰকাশ ভূঞা, মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ
অভিনব নাথ, সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ
ভাইকন দাস, অতিথি অধ্যাপক, বুৰঞ্জী বিভাগ

### ব্যৱস্থাপনা আৰু পৰিকল্পনা

অভিনব নাথ, সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

### যুটিয়া সম্পাদক

যাদৱ দাস
দিক্ষিতা দত্ত

### সদস্য

অংকুৰ দাস, বিকু শইকীয়া, টিনামনি দাস, মোহন পেগু
গিতিমনি দত্ত, টুটুমনি হাজৰিকা, ৰঞ্জন পায়েং, ৰঞ্জন দাস, অৰুণ কলিতা,
ৰশ্মি গগৈ, গিতালী পেগু, লক্ষীনাথ শইকীয়া,জয়লক্ষী পায়েং
শংকৰজ্যোতি দাস, মালিনি দাস
পিংকী কাকতি

### বেটুপাট

পদ্মলোচন বৰুৱা

### অলংকৰণ

গিগাবাইট আৰু সম্পাদনা সমিতি




## লগন উকলি গ'ল

সময় চিৰন্তন প্ৰবাহমান। ই কাৰোৰে বাবে ৰৈ নাথাকে। ইয়াক ধৰি ৰাখিবটো নোৱাৰি কিন্তু সময়ৰ বুকুত নিজৰ কামৰ জৰিয়তে চাপ বহোৱাই চিৰদিন ৰাখি থব পাৰি। আনহাতে সাহিত্য হৈছে জাতি এটাৰ ভেটিস্বৰূপ। সাহিত্যই জাতি এটাৰ আলংকাৰিক অবস্থাটোক প্ৰতিফলিত কৰে। এই সাহিত্যই মানৱ সমাজক যুগমীয়া কৰি ৰাখে। অসমীয়া সাহিত্য ও এই ক্ষেত্ৰত বিশেষ আগবঢ়া। সাহিত্যৰ এই দিশবোৰে ছাত্ৰ সমাজক বাৰুকৈয়ে আকৰ্ষণ কৰে আৰু উদ্যমী কৰি তোলে।

বুৰঞ্জী বিভীগৰ অধ্যয়নৰত শিকাৰু আৰু পানীপাও ওমপ্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ৰ শিক্ষাৰ্থী হিচাপে মহাবিদ্যালয় খনক এখন বাৰ্ষিক "ই — আলোচনী" উপহাৰ দিয়াৰ কথা আলোচনা কৰা হৈছিল বিভাগত। মহাবিদ্যালয়ৰ অগ্ৰজ সকলৰ শৈক্ষিক আৰু বৌদ্ধিক দিশতোৰ বিকাশৰ ওপৰত গুৰুত্ব দি এই আলোচনী খন প্ৰকাশৰ সিদ্ধান্ত মৰ্মে কাম হাতত লোৱা হ'ল। আলোচনী খনৰ নাম ৰখা হ'ল জন্মস্থান জিলা লখিমপুৰৰ পৰা "লখিমী"। লখিমী -সংখ্যা ১ ৰ সম্পাদক-সম্পাদিকাৰ দৰে মহৎ দায়িত্ব পালন সুবিধা কন দিয়াৰ বাবে আমি সকলোৰে ওচৰত কৃতজ্ঞ। আলোচনা মৰ্মে প্ৰতিবছৰে ৫ ছেপ্তেম্বৰ (শিক্ষক দিৱস) ৰ শুভলগ্নে বুৰঞ্জী বিভাগৰ পৰা আলোচনী খন প্ৰকাশ কৰাৰ সিদ্ধান্ত লোৱা হয়। এই বছৰৰ প্ৰথম সংখ্যাটি প্ৰকাশ কৰাত সহায় কৰা বিভাগীয় শিক্ষাগুৰু, নতুন আগমনসকল আৰু বান্ধব সকলক অশেষ ধন্যবাদ। প্ৰথম প্ৰয়াস হিচাপে আলোচনী খনত অনেক দোষ -ত্ৰুটি থাকি গৈছে । পঢ়ুৱৈ সমাজে এই সমুহ আঙুলিয়াই দি ভবিষ্যতৰ বাবে সুবিধা আৰু উৎসাহী হোৱাকৈ আমাৰ আলোচনী খন যাতে আদৰি লয়।

ইয়াৰ লগতে বিভাগৰ সমুহ আৰু মহাবিদ্যালয়ৰ সকলোৰে ধৰি পঢ়ুৱৈ সমাজে যাতে "লখিমী সংখ্যা-১" ই আলোচনী খন আদৰি লয় তাৰ আশাৰে আমাৰ ফালৰ পৰা "লখিমী" লৈ শুভাশীষ ---

যাদৱ দাস, সম্পাদক<br>
দিক্ষিতা দত্ত, সম্পাদিকা<br>
জয়তো পানীগাওঁ ওমপ্ৰকাশ দিনোদীয়া মহাবিদ্যালয়<br>
জয়তো বুৰঞ্জী বিভাগ

# সূচীপত্ৰ


| | | |
|---|---|---|
| ভাৰতৰ জাতীয় সেনাবাহিনী | তোযেশ্বৰ দাস | ৫ |
| মানৱ জীৱনৰ মূল্যবোধ | মনোজ হাজৰিকা | ৬ |
| চন্দ্ৰযান | | ৬ |
| চন্দ্ৰপ্ৰভা শইকীয়ানী | পিংকী কাকতি | ৭ |
| অসমৰ বয়ন শিল্প | ৰশ্মি গগৈ | ৯ |
| ভাৰতত স্বাধীনতা আন্দোলনত মহিলাৰ ভূমিকা | টিনামনি দাস | ১১ |
| ককা নীলমণি ফুকনৰ কবিতাৰ কথাৰে | আৰতি ফুকন | ১৩ |
| প্ৰকৃতি সংৰক্ষণত কবি সাহিত্যিকৰ ভূমিকা... | উজ্জ্বল বৰা | ১৬ |
| ভূত নে ভ্ৰম? | ৰঞ্জন দাস | ১৭ |
| ইপাৰ-সিপাৰ | ৰঞ্জন পায়েং | ১৮ |
| সপোন | গীতিমনি দত্ত | ১৮ |
| উকমুকনি | মহাজ্যোতি দাস | ১৯ |
| সন্ত্ৰাস | কৃষ্ণ দাস | ২০ |






# ভাৰতৰ জাতীয় সেনাবাহিনী

তোযেশ্বৰ দাস

ভাৰতীয় সেনাবাহিনীৰ এক বৃহৎ শাখা। এই শাখাটোৱে স্থলভিত্তিক সকলো সামৰিক অভিযানৰ দায়িত্ব লয়। এই শক্তিৰ প্ৰধান উদ্দেশ্য হ'ল- বাহ্যিক শত্ৰুৰ পৰা দেশক ৰক্ষা কৰা, আভ্যন্তৰীণ শান্তি আৰু নিৰাপত্তা বজাই ৰখা, সীমান্ত পহৰা দিয়া আৰু সন্ত্ৰাসবাদ বিৰোধী অভিযান চলোৱা। লগতে প্ৰাকৃতিক দুৰ্যোগ আৰু অন্যান্য দুৰ্যোগৰ সময়ত সেনাই উদ্ধাৰ অভিযানকে ধৰি বিভিন্ন সমাজ কল্যাণমূলক কাম কৰে। ভাৰতৰ ৰাষ্ট্ৰপতি সেনাবাহিনীৰ মুখ্য সেনাধ্যক্ষ।

ভাৰতীয় সেনা বিশ্বৰ তৃতীয় বৃহত্তম সেনা । এই বাহিনীত ১১,৩০,০০০ কৈ অধিক সেৱা আগবঢ়োৱা সৈনিক আৰু প্ৰায় ১৮,০০,০০০ সংৰক্ষিত সৈন্য আছে । ভাৰতীয় বায়ুসেনাৰ শক্তিত প্ৰায় ১ লাখ ৪০ হাজাৰ সৈনিক আছে । ভাৰতীয় নৌ সেনাৰ যথেষ্ট সৈন্য আৰু শক্তি আছে ।

১৯৪৭ চনত স্বাধীনতাৰ কিছু সময়ৰ পিছতে ব্ৰিটিছ ভাৰতীয় সেনাৰ অধিকাংশ ৰেজিমেণ্ট একত্ৰিত কৰি ভাৰতীয় সেনা গঠন কৰা হয়। ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী বাহিনীৰ সদস্য হিচাপে বিশ্বৰ বহু অশান্ত অঞ্চলত ভাৰতীয় সেনা নিয়োজিত হৈছিল। এই বাহিনীটোৰ সৰ্বোচ্চ পদবী হৈছে ফিল্ড মাৰ্শ্বাল। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ মতে অতি ব্যতিক্ৰমী পৰিস্থিতিত এই পদ প্ৰদান কৰিব পাৰে। এতিয়ালৈকে মাত্ৰ দুজন জেনেৰেলেহে এই পদত অধিষ্ঠিত হৈছে, এজন হৈছে শ্যাম মানেক শ্ব', আৰু আনজন হৈছে কে এম কেৰিয়াপ্পা ।

# মানৱ জীৱনৰ মূল্যবোধ

মনোজ হাজৰিকা
প্ৰথম ষান্মাষিক

মানৱ জীৱনৰ মূল্যবোধ। ইয়াক সৎ ব্যৱহাৰ কৰা মানৱ জীৱনৰ মূল ধৰ্ম। এখিলা পাত নদীৰ সোঁতত যেনেদৰে বৈ যায় তেনেদৰে মানুহৰ জীৱনত সেই সৰি থকা পাতখিলাৰ দৰে বৈ যায়। যদি তুমি জীৱনত সফল হব বিচৰা তুমি ভাৱা কি কৰি ভালপোৱা আৰু কিহত বিশ্বাস কৰা দেখিবা সফলতাই তেওঁৰ ওচৰলৈ নিজেই আহিছে। আজি যোগ হৈছে বিজ্ঞানৰ যোগ। বিজ্ঞানৰ চৰম উন্নতিৰ দিশত মানুহে হৈ পৰিছে যান্ত্ৰিক, মানুহৰ মাজৰ পৰা মানৱীয় মূল্যবোধ হেৰাই গৈছে। এই জীৱনটো দুদিনিয়া। যিজন ব্যক্তিয়ে নিজৰ কৰ্মৰ যোগেদি দেশ আৰু জনগণৰ হকে নিজৰ জীৱন সপি দিয়ে সেইজন ব্যক্তিয়ে বুজে জীৱনৰ মূল্যবোধ। নিজ কতব্যৰ দ্বাৰা মানুহ পৃথিৱীত মৰিও অমৰ হৈ থাকিব পাৰে । আমাৰ দেশৰ ঋষি মুনি বীৰ বিৰাংগনাসকলে কেনেকৈ আমাৰ কাৰণে জীৱন উচ্ছগা কৰি জীৱনৰ মূল্য আৰু মহত্তৰ সুন্দৰ উদাহৰণ থৈ গৈছে । গৌতম বুদ্ধই প্ৰাণীৰ কল্যাণ আৰু মুক্তিৰ কাৰণে অহিংসাৰ বাণী প্ৰচাৰ কৰিছিল। মাদাৰ টেৰেছায়ো জীৱনৰ সুখ ভোগ ত্যাগ কৰি ৰোগীসকলৰ শুক্ৰষাৰ যোগেদি মানৱ জীৱনৰ মূল্যবোধ আদশ দেখুৱাই গল। আমাৰ ভাৰতবৰ্ষত জাতিৰ পিতা মহাত্মা গান্ধীয়ে অহিংসাৰ মন্ত্ৰৰে ভাৰত স্বাধীন কৰি দেশৰ কাৰণে জীৱন ত্যাগ কৰিলে। এই মহান পুৰুষসকলৰ জীৱনৰ আৰ্দশ আগত ৰাখি দেশ আৰু জনগণৰ কাৰণে কাম কৰি থৈ যাব পাৰিলেহে আমাৰ জীৱনৰ মূল্যবোধ সাৰ্থক হব। সেয়েহে আমি শিক্ষা কথা জনাৰ উপৰিও দেশৰ বাবে কি কৰিম , নিজৰ সমাজখনৰ বাবে কি কৰিম সেই কথা জনাটো দৰকাৰ বুলি মই ভাবোঁ।।



# চন্দ্ৰযান

পাতনি ঃ- চন্দ্ৰযান হৈছে ভাৰতৰ আটটতৈকে স্মৰণীয় চন্দ্ৰ অনুসন্ধান অভিযান। ভাৰতৰ বাবে ই এক বৃহৎ সাফল্য আছিল যিহেতু ভাৰতে আমেৰিকা, ৰাচিয়া , আৰু চীনৰ পাছতে চন্দ্ৰত উপস্থিত হোৱা চতুৰ্থখন দেশ হিচাপে পৰিগতি হৈছিল। এই সাফল্যমই অভিযানে মহাকাশ উদ্ভাৱনৰ ক্ষেত্ৰত ভাৰতৰ ক্ষমতা প্ৰদৰ্শন কৰিছিল আৰু অতিৰিক্ত মহাকাশ অনুসন্ধানৰ বাবে নতুন প্ৰৱেশদ্বাৰ মুকলি কৰিছিল।

চন্দ্ৰযানৰ অভিযান ঃ- ২০০৮ চনত ইণ্ডিয়ান স্পেচ এক্সপ্লৰৈশ্যন এছ-চিয়েশ্যয় (ইচৰো ) চন্দ্ৰযানক পঠাইছিল ২০০৮ চনৰ ২২ অক্টোবৰত চন্দ্ৰযান-১ ক শ্ৰীহৰিকৌটৰ পৰা নিক্ষেপন কৰা হৈছিল। এই চন্দ্ৰযান খনে চন্দ্ৰৰ খনিজ পদাৰ্থৰ সম্পৰ্কে উচ্চ মাত্ৰাত অন্তদৃষ্টিৰ সৈতে ৰেজ্জৰ তথ্য দিছিল ।অৱশেষত ২০০৯ চনত ২৯ আগষ্টত এই অভিযান আৰম্ভ হোৱাৰ পৰা প্ৰায় ১২ মাহৰ পিছতে শেষ হৈছিল ।এইটো আছিল বিশেষ বিষয় আৰু যোগাযোগৰ অভাৱৰ প্ৰত্যক্ষ ফল ।

**২০১৯** চনৰ ২২ জুলাইত চন্দ্ৰযান -২ প্ৰস্তুত কৰি উলিওৱা হৈছিল। চন্দ্ৰযান -২ৰ প্ৰধান উদ্দেশ্য আছিল চন্দ্ৰৰ বাহিৰৰ স্তৰটোত কত কিমান পানী আছে সেইটো জানিব পৰাটো । চন্দ্ৰযান- ২ লেণ্ডাৰ আৰু ৰাগুৱাৰ খন চন্দ্ৰৰ পৃষ্ঠত দূৰ্ঘটনা গ্ৰস্থ হৈছিল কাৰণ ভ্ৰমণৰ শেষৰ অংশটোৰ সময়ত সমস্যাৰ সৃষ্টি হৈছিল। বিগত অভিযান সমূহৰ পাছত চন্দ্ৰযান - ৩ ২০২৩ চনৰ ১৪ জুলাই শ্ৰীহৰিকোটৰ পৰা প্ৰেৰণ কৰা হয়।

চন্দ্ৰযান-৩ ৰ এটা আভাস ঃ

চন্দ্ৰযান-৩ হৈছে ইছৰোৰে চেষ্টা কৰা তৃতীয় চন্দ্ৰ অভিযান । ভাৰতৰ আগ্ৰসী মহাকাশ কাৰ্যসুচীৰ বাবে চন্দ্ৰৰ গোপনীয়তাৰ অনুসন্ধান অতি প্ৰয়োজনীয় । চন্দ্ৰযান - ৩ এটা লেণ্ডাৰ , এটা মেইণ্ডাৰ আৰু আগবাঢ়ি যোৱাৰ বাবে এটা মডিউল আছে । চন্দ্ৰমান - ৩ ৰ বাবে লেণ্ডাৰটা এই লক্ষ্যৰে নিৰ্মান কৰা হৈছে ই চন্দ্ৰত সুক্ষ্মভাৱে অৱতৰণ কৰিব পাৰে। চন্দ্ৰযান-৩ মহাকাশযানখনৰ সমগ্ৰ বুজা ৩৯০০ কিলোগ্ৰাম । চন্দ্ৰযান-১ চন্দ্ৰযান-২ ৰ অভিযানৰ পাছত চন্দ্ৰযান - ৩ এ ভাৰতৰ মহাকাশ তদন্তৰ প্ৰচেষ্টাক যথেষ্ট আৰু অধিক নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছে। ইছৰোই ইংগিত দিয়ে যে চন্দ্ৰযান - ৩ ৰ তিনিটা মৌলিক উদ্দেশ্য থাকিব । এটা হল চন্দ্ৰপৃষ্ঠত উপনিত হোৱাতো সুৰক্ষিত আৰু সহজ বুলি প্ৰমাণ কৰাটো। পৰৱতী উদ্দেশ্য আছিল চন্দ্ৰত মেইণ্ডাৰ ব্যৱহাৰ কৰা সৰ্বোত্তম উপায় প্ৰৱতন কৰা । তৃতীয় উদ্দেশ্য হল চন্দ্ৰৰ বাহিৰৰ স্তৰৰ ওপৰত যুক্তিসংগত পৰীক্ষা কৰা ।

# চন্দ্ৰপ্ৰভা শইকীয়ানী

পিংকী কাকতি




চন্দ্ৰপ্ৰভা শইকীয়ানী (ইংৰাজী ১৬ মাৰ্চ, ১৯০১ — ১৬ মাৰ্চ, ১৯৭২) এগৰাকী স্বাধীনতা সংগ্ৰামী, সমাজসেৱী আৰু সাহিত্যসেৱী। অসমৰ নাৰীবাদী আন্দোলনৰ পথ প্ৰদৰ্শক বুলি গণ্য কৰা চন্দ্ৰপ্ৰভা শইকীয়ানী আছিল মহিলাসকলৰ কল্যাণৰ বাবে কাম কৰা বেচৰকাৰী সংস্থা সদৌ অসম প্ৰদেশিক মহিলা সমিতিৰ প্ৰতিষ্ঠাপকসকলৰ অন্যতম ।১৯৭২ চনত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে চতুৰ্থ সৰ্বোচ্চ ভাৰতীয় অসামৰিক বঁটা পদ্মশ্ৰী লাভ কৰিছিল। ইয়াৰ তিনিটা দশকৰ পিছত ২০০২ চনত ভাৰত চৰকাৰে সামাজিক সংগঠকৰ শৃংখলাত শইকীয়ানীৰ অৱদান সুঁৱৰি এটি স্মৃতিচাৰক ডাকটিকট প্ৰকাশ কৰে।১৯৩২ চনৰ আইন অমান্য আন্দোলন আৰু ১৯২০-২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। বিধানসভাৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি স্বাধীন ভাৰতৰ ৰাজনীতিত আগভাগ লোৱা প্ৰথমগৰাকী অসমীয়া মহিলা হিচাপে তেখেত পৰিগণিত হৈছিল। তেখেতৰ ভনীয়েক ৰজনীপ্ৰভা আছিল অসমৰ প্ৰথমগৰাকী মহিলা এম বি বি এছ।

**জন্ম ঃ** তেতিয়াৰ বৰপেটা জিলাৰ বজালী অঞ্চলৰ, বৰ্তমান বজালী জিলাৰ দৈশিঙৰী গাঁৱত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জন্ম হৈছিল। পিতৃৰ নাম ৰাতিৰাম মজুমদাৰ আৰু মাতৃৰ নাম আছিল গংগাপ্ৰিয়া মজুমদাৰ। ৰাতিৰাম মজুমদাৰ গাওঁবুঢ়া আছিল। জন্মৰ পাছত তেওঁৰ নাম আছিল চন্দ্ৰপ্ৰিয়া। ৰামেশ্বৰী আছিল চন্দ্ৰপ্ৰিয়াৰ ভনীয়েক। দুয়ো ভনীৰ নাম পিছলৈ চন্দ্ৰপ্ৰভা আৰু ৰজনীপ্ৰভা হৈছিল।

**শিক্ষা আৰু সংগ্ৰাম ঃ**নিজৰ গাঁৱত পঢ়াশালি নথকাত ওচৰৰে ভালুকী গাঁৱৰ মাহীয়েকৰ ঘৰত থাকি প্ৰাথমিক বিদ্যালয়ত পঢ়া-শুনা কৰিবলৈ দিছিল। এই স্কুলৰ পৰাই ১৯০৭ চনত ১১ বছৰ বয়সত প্ৰাথমিক স্তৰৰ শেষ পৰীক্ষা দি পাছ কৰিছিল। সেই সময়ত, স্কুল পৰিদৰ্শকে ছমাহৰ মূৰে মূৰে স্কুললৈ আহি শিক্ষাৰ্থীসকলৰ পৰীক্ষা লৈ প্ৰমোচন দিছিল। প্ৰধান শিক্ষক কৃষ্ণকান্ত দত্তই চন্দ্ৰপ্ৰিয়াক তেওঁৰ মেধাৰ বাবে ৰূপৰ পদকেৰে সন্মানিত কৰিছিল। উচ্চ শিক্ষাৰ হাবিয়াস থকাৰ পাছতো, তাৰ কোনো উপায় নাপাই মাক-দেউতাকৰ অনুমতিত দৈশিঙৰী গাঁৱৰ কাষৰে অকয়া গাঁৱত চন্দ্ৰপ্ৰভাই সেইকণ শিক্ষাকে সাৰথি কৰি এখনি বালিকা বিদ্যালয় গঢ়ি তোলে। কিন্তু ১৯১৪ চনত তেতিয়াৰ স্কুল পৰিদৰ্শক নীলকান্ত বৰুৱাৰ চকুত কথাটো পৰাত তেওঁ চন্দ্ৰপ্ৰভাক নগাঁৱৰ মিশ্যন স্কুলত পঢ়াৰ পৰামৰ্শ দিয়ে আৰু দুয়ো ভনী ১৯১৫ চনত নগাঁৱত শিক্ষাজীৱন আৰম্ভ কৰে। আন এক তথ্যমতে, চন্দ্ৰপ্ৰভাই ইয়াৰ পাছত মজলীয়া বিদ্যালয়ৰ পঢ়াৰ বাবে কঁঠালগুৰি এম.ভি. স্কুলত নাম লিখাইছিল। বহু দূৰ বাট কুৰি বাই স্কুললৈ আহিবলগীয়া হৈছিল। দুই ভনীয়েকে এম.ভি. পাছ কৰে। সেই সময়তে স্কুলৰ উপ-পৰিদৰ্শক নীলকান্ত বৰুৱাই চন্দ্ৰপ্ৰিয়া আৰু ৰামেশ্বৰীৰ পঢ়াৰ প্ৰতি থকা ধাউতি দেখি বৃত্তি দিয়াই নগাঁৱৰ মিছন স্কুলত পঢ়াৰ সুবিধা কৰি দিয়ে। নগাঁও মিছন স্কুলত চন্দ্ৰপ্ৰিয়া আৰু ৰামেশ্বৰীৰ নাম সলনি কৰি ক্ৰমে চন্দ্ৰপ্ৰভা আৰু ৰজনীপ্ৰভা কৰা হয়। আৰু নগাঁৱৰ মিশ্যন স্কুলত শিক্ষা আৰম্ভ কৰিয়েই চন্দ্ৰপ্ৰভাই তেওঁৰ বিপ্লৱী জীৱনৰ আৰম্ভণি কৰিছিল বুলিব পাৰি। মিশ্যন স্কুলত এটা ঘটনা ঘটিছিল। স্কুলত দুয়ো বাই-ভনীক হিন্দু ধৰ্মাৱলম্বী হোৱা বাবে ছাত্ৰীনিবাসৰ এটা সৰু কোঠাত থাকিবলৈ দিছিল। প্ৰথমাৱস্থাত বিশেষ একো ভবা নাছিল যদিও পিছত আন এগৰাকী হিন্দু ধৰ্মাৱলম্বী ছোৱালী স্কুলত ভৰ্তি হোৱাত থকা ঠাইৰ অভাৱ দেখুৱাই তেওঁক নিবাসৰ গুদাম ঘৰত থাকিবলৈ দিছিল। খ্ৰীষ্টান ধৰ্ম লোৱাহেঁতেন তেওঁলোক আটায়ে আনৰ লগত একেলগে ভাল কোঠাত থাকিবলৈ পালেহেঁতেন বুলি কথাটো জানিবলৈ পাই স্কুলৰ সকলো ছোৱালীকে একগোট কৰি এই অন্যায়ৰ বিৰুদ্ধে মাত মাতিলে আৰু নিবাসৰ দায়িত্বত থকা মিছ লঙক তেওঁৰ এই পক্ষপাতমূলক ব্যৱস্থা উঠাই ল'বলৈ কৰিলে। ই আছিল চন্দ্ৰপ্ৰভাৰ প্ৰথম বিদ্ৰোহ আৰু তাৰ সফলতা।

**কৰ্মজীৱনঃ** ১৯১৮ চনত পঢ়া সাং কৰি চন্দ্ৰপ্ৰভাই নগাঁৱৰ এখন প্ৰাথমিক বিদ্যালয়তে প্ৰথমে কাম কৰে। ইয়াৰ পাছত তেজপুৰৰ এখন মজলীয়া স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী নিযুক্ত হয়। এইখিনি সময়তে তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালা, অমিয় কুমাৰ দাস আদি স্বাধীনতা সংগ্ৰামীক লগ পায়। স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক জ্যোতিপ্ৰসাদ আগৰৱালাই চন্দ্ৰপ্ৰভাক স্বেচ্ছাসেৱিকাসকলৰ 'কুচকাৱাজ' শিকোৱাৰ দায়িত্ব

দিছিল। তেতিয়াৰ পৰাই চন্দ্ৰপ্ৰভাই বিভিন্ন সামাজিক কামত মনোযোগ দিবলৈ আৰম্ভ কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামত যোগ দিয়াৰ লগতে এখেতে নাৰী জাগৰণৰ বাবে কাম কৰিছিল। পৰ্দাপ্ৰথা, পতিতাবৃত্তি আৰু দেৱদাসীপ্ৰথা নিবৃত্তিও এই নাৰী কল্যাণৰ কামসমূহৰ অন্তৰ্গত আছিল। তেওঁ অসমত মহিলা সমিতি পাতি মহিলাৰ সামাজিক মৰ্যাদা আৰু সন্মানৰ বাবে সংগঠিত ৰূপত কাম কৰিবলৈ আৰম্ভ কৰিছিল। অসম মহিলা সমিতিৰ সম্পাদিকা হিচাপে সাত বছৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিল। কেৱল স্ত্ৰী-শিক্ষাৰ আৰু নাৰীৰ সংস্থাপনৰ বাবে কাম নকৰি, তেওঁলোকে শিশু-কল্যাণ আৰু শাৰীৰিক ভাৱে অক্ষম লোকৰ হকেও কাম কৰিছিল। কুটিৰ শিল্প স্থাপন, মাদক দ্ৰব্য নিবাৰণ, নাৰ্ছাৰী স্কুল আৰু পুথিভঁৰাল স্থাপন, বোৱাকটা কেন্দ্ৰ, চিলাই আৰু উল গোঁথাৰ প্ৰশিক্ষণ কেন্দ্ৰ, কাৰ্পেট বোৱা আৰু মৰাপাটৰ সামগ্ৰী তৈয়াৰ কৰাৰ প্ৰশিক্ষণ কেন্দ্ৰ আদি স্থাপন কৰি তেওঁলোকে সমাজৰ উন্নতিৰ হকে যথেষ্ট কাম কৰিছিল। ৰজ্মাচঞ্চ চনত তেজপুৰত বহা অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁ কানিৰ বিৰুদ্ধে অগ্নিগৰ্ভা ভাষণ দিছিল। ৰজ্মাচপ্ত চনত ৰজনীকান্ত বৰদলৈৰ সভাপতিত্বত বহা নগাঁও অধিৱেশনত মহিলাসকলক স্বাধীনতা যুঁজৰ সেনানী হ'বলৈ আহ্বান জনাইছিল। ইয়াৰ ফলশ্ৰুতি ৰূপে অসম মহিলা সমিতি গঠন হয় আৰু চন্দ্ৰপ্ৰভাই এই সমিতিৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰে। একেৰাহে সাত বছৰ তেওঁ এই পদবীত আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দি চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে ১৯২৩ চনত আৰু ১৯৪ চনত দুবাৰ কাৰাবাস খাটিছিল। কিছুকাল কৃষক সভাৰো সভানেত্ৰী আছিল। ১৯৫৭ চনত তেওঁ বজালী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰূপে অৱতীৰ্ণ হৈ পৰাজিত হয়। ১৯৬৯ চনৰপৰা স্বাস্থ্য পৰি অহাত এখেতে সামাজিক কাৰ্যৰপৰা অব্যাহতি লয়। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অক্লান্ত সংগ্ৰামী চন্দ্ৰপ্ৰভাই ১৯২৩ চনত এবাৰ আৰু ১৯৪৩ চনত দুবাৰ কাৰাবাস খাটিছিল। তেও কিছুকাল কৃষক সভাৰো সভাপতি পদ অলংকৃত কৰিছিল। ১৯৪৫ চনত মহাত্মা গান্ধী আৰু ১৯৬৩ চনত বিনোৱা ভাৱে অসমলৈ আহোঁতে চন্দ্ৰপ্ৰভাই তেওঁলোকৰ ভ্ৰমণত সংগ দিছিল।

**সাহিত্যকৃতি** ঃ চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে তেওঁৰ জীৱনকালত তিনিখন উপন্যাস লিখিছিল যদিও 'পিতৃভিঠা' নামৰ উপন্যাসখনেহে প্ৰকাশৰ মুখ দেখিছিল। বাকী 'শেষ আশ্ৰয়' আৰু 'অপৰাজিত' অসম্পূৰ্ণ ৰূপত উদ্ধাৰ হয়। ইয়াৰ ভিতৰত 'পিতৃভিঠা' উপন্যাসখন নাৰীবাদী উপন্যাস ৰূপে বহুচৰ্চিত। উপন্যাসৰ উপৰি তেখেতে গল্প, নাটক আৰু কবিতাও লিখিছিল। 'মোৰ কবিতা' তেখেতৰ কবিতা পুথি। অসম প্ৰাদেশিক মহিলা সমিতিৰ অস্পৃশ্যতা নিবাৰণ বিভাগে প্ৰকাশ কৰা 'মুক্ত মানব' কবিতা সংকলনতো তেওঁৰ কিছু কবিতা আছে। 'অভিযান' আৰু 'অভিযাত্ৰী' আলোচনীৰ তেওঁ সম্পাদিকা আছিল আৰু গান্ধীজীয়ে অস্পৃশ্যতা নিবাৰণৰ ওপৰত দিয়া সকলো ভাষণ, কিতাপ, প্ৰবন্ধ অনুবাদ কৰি দুয়োখন আলোচনীতে প্ৰকাশ কৰিছিল ।

**প্ৰেম আৰু বিবাহ** ঃ তেজপুৰত থকা কালতে চন্দ্ৰপ্ৰভাই সাহিত্যিক দণ্ডিনাথ কলিতাক লগ পায়। দুয়ো দুয়োৰে প্ৰতি আকৰ্ষিত হয় আৰু প্ৰেমৰ সম্পৰ্ক গঢ় লৈ উঠে। কিন্তু ৰক্ষণশীল সমাজৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ এই প্ৰেমক স্বীকৃতি নিদিলে। ফলত, গন্ধৰ্ব প্ৰথা মতে চন্দ্ৰপ্ৰভা সাহিত্যিক দণ্ডিনাথ কলিতাৰ লগত বিয়া হয়। কিন্তু সমাজে এই বিয়াকো স্বীকৃতি দিয়া নাছিল। দণ্ডিনাথ কলিতা সমাজৰ ওচৰত হাৰ মানি আঁতৰি গ'ল, কিন্তু তেওঁলোকৰ মিলনত এটি পুত্ৰ সন্তান জন্ম হ'ল চন্দ্ৰপ্ৰভাৰ গৰ্ভত। সাহসিকতাৰে তেওঁ বিবাহ বহিৰ্ভূত সন্তানক জন্ম দিলে আৰু অকলেই ল'ৰাটিক ডাঙৰ কৰাৰ সংকল্প লৈ পুনৰ পিতৃভিঠা বজালীলৈ উভতি আহিল।

**মৃত্যু আৰু সন্মান প্ৰদান** ঃ ১৯৬৯ চনৰ পৰা স্বাস্থ্যৰ অৱনতি ঘটাত শইকীয়ানী সামাজিক কাম-কাজৰ পৰা অব্যাহতি লয়। ১৯৭২ চনৰ ১৬ মাৰ্চ তাৰিখে কৰ্কট ৰোগত গুৱাহাটীতে তেওঁ মৃত্যুক আঁকোৱালি লয়। মৃত্যুৰ কেইমাহমান আগতে ভাৰত চৰকাৰে তেওঁক, ১৯৭২ চনত পদ্মশ্ৰী সন্মান প্ৰদান কৰে। ২০০২ চনত ডাক বিভাগৰ অধীনত যেতিয়া সমাজ সংস্কাৰক সকলৰ নামেৰে স্মাৰক ডাক টিকট জাৰী কৰা হৈছিল, তেতিয়া তেখেতৰ নামতো এটা ডাক টিকট জাৰী কৰি তেওঁক সন্মানিত কৰা হৈছিল। উত্তৰ-পূব ভাৰতত মহিলাশিক্ষাৰ প্ৰচাৰৰ বাবে ২০০৯ চনত গুৱাহাটীৰ চৰকাৰী ছাত্ৰী পলিটেকনিক তেওঁৰ নামেৰে নামাকৰণ কৰা হৈছিল। তাৰ বাহিৰেও তেজপুৰ বিশ্ববিদ্যালয়ে তেওঁৰ নামত চন্দ্ৰপ্ৰভা শইকীয়ানী মহিলা অধ্যয়ন কেন্দ্ৰ স্থাপন কৰিছিল।

তেখেতৰ নামত চাৰিখন জীৱনী নথিভুক্ত কৰা হৈছে ঃ

পুষ্পলতা দাসৰ দ্বাৰা অগ্নিস্নাতা চন্দ্ৰপ্ৰভা (১৯৯৮)

অচ্যুত কুমাৰ শৰ্মাৰ দ্বাৰা চন্দ্ৰপ্ৰভা চাইকিয়ানি(২০০১)

হিৰণ্ময়ী দেৱীৰ দ্বাৰা মুক্তিসংগ্ৰামী চন্দ্ৰপ্ৰভা (২০০২)

অঞ্জলি শৰ্মাৰ দ্বাৰা চন্দ্ৰপ্ৰভা(২০১১)

**অভিযাত্ৰী** ঃ প্ৰখ্যাত অসমীয়া ঔপন্যাসিক আৰু হোমেন বৰগোহাঞিৰ পত্নী নিৰুপমা বৰগোঁহাঞিৰ এখন উপন্যাসহৈছে শইকীয়ানীৰ জীৱনৰ এক কাল্পনিক বিৱৰণ আৰু উপন্যাসখনে ১৯৯৬ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। পিছলৈ প্ৰদীপ্ত বৰগোহাইয়ে 'অভিযাত্ৰীঃ ৱান লাইফ মেনি ৰিভাৰ্ছ' নাম দি উপন্যাসখন ইংৰাজীলৈ অনুবাদ কৰে।



# অসমৰ বয়ন শিল্প

ৰশ্মি গগৈ

অসমৰ বয়ন শিল্প বা হস্ততাঁত শিল্প অসমৰ এক গুৰুত্বপূৰ্ণ কুটিৰ শিল্প। অসমৰ বাবে গৌৰৱৰ কথা যে ভাৰতৰ মুঠ ২৮ লাখ তাঁতশালৰ ১৩ লাখ তাঁতশাল অসমতে আছে। বেছিভাগ তাঁতশালেই ভৰিৰে চলোৱা হয়। বাণিজ্যিকভাৱে বস্ত্ৰ উৎপাদন কৰা শুৱালকুছিৰ একাংশ তাঁতশালহে যন্ত্ৰচালিত।(১)

**ইতিহাস** ঃ প্ৰাচীন কালৰে পৰা ই অসমৰ এক পৰম্পৰাগত উদ্যোগ হিচাপে পৰিগণিত হৈ আহিছে। পূৰ্বতে অসমৰ মহিলাসকলে বয়ন শিল্পক তেওঁলোকৰ ঘৰুৱা জীৱনৰ অন্তৰ্গত এক কাম হিচাপে ধৰি লৈছিল। এই বয়ন শিল্পৰ যোগেদিয়েই অসমৰ নাৰীসকল ভাৰতৰ আন ঠাইতো বিখ্যাত হৈছিল। অসমৰ প্ৰতিঘৰত, বিশেষকৈ, গ্ৰাম্য অঞ্চলৰ ঘৰত একোখন হ'লেও তাঁতশাল থাকেই। কোনো মহিলাই ঘৰুৱা কামৰ পৰা খন্তেক আজৰি হ'লেই তাঁতশালত বহেগৈ আৰু পৰম্পৰাগত কাপোৰ বৈ উলিয়ায়।

**বাণিজ্যিক দৃষ্টিকোণ** ঃ বয়নশিল্পৰ এক বৃহৎ বাণিজ্যিক ক্ষেত্ৰ আছে। কিন্তু অসমৰ হাতে বোৱা বস্ত্ৰশিল্প এই ৰাজ্যৰ সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে সম্পৰ্কিত হৈ থাকিলেও, এই উদ্যোগ বাণিজ্যিক দিশত উপযুক্তভাৱে বিকশিত হৈ উঠা নাই। বৰ্তমান মাত্ৰ ২.৮০ লাখ তাঁতশালহে কাপোৰৰ বাণিজ্যিক উৎপাদনৰ লগত জড়িত হৈ আছে। আনহাতে আন প্ৰায় ৫.৭০ লাখ তাঁতশাল অৰ্ধ বাণিজ্যিকৰূপে নিয়োজিত। বাকীবোৰ হ'ল ঘৰুৱা তাঁতশাল আৰু ঘৰুৱা চাহিদা পূৰণ কৰিবৰ বাবেহে সেইবোৰ ব্যৱহাৰ কৰা হয়।

**বিভিন্ন সঁজুলিসমূহ** ঃ যঁতৰ, সূতা, মহুৰা, উঘা(আজিকালি সাধাৰণতে ববিন ব্যৱহাৰ কৰে), ববিন ফ্ৰেম, চেৰেকী, লেটাই, মাকো, টোলোঠা চিৰি, হলি, খুঁটি, ৰাঁচ, ৰাঁচভৰা, দোৰপতি, নাচনী, কাণত দিয়া পুতল, ফুলৰ কাঠি, ফুল বছা কাঠি, দাঙি মাৰি, ৰছী (বান্ধোনবোৰ দিবলৈ ব্যৱহৃত)

**প্ৰকাৰ** ঃ তাঁতশাল দুই প্ৰকাৰৰ।

১। তাঁতীশাল  ২। মাটিশাল

**তাঁতীশাল** ঃ তাঁতীশালত মাকো হাতেৰে চলাবলগীয়া নহয়। সেইবাবে বোৱনত সোনকালে হয়। লগতে ৰাঁচখন ৰখাৰ ব্যৱস্থাটোও অলপ সুকীয়া। বাকী মাটিশালৰ সৈতে একেই। সাধাৰণতে কম সময়ত অধিক ববলৈ তাঁতীশাল বেছি উপযোগী।

**মাটিশাল** ঃ গাঁৱৰ ঘৰে ঘৰে সততে পোৱা শালখনেই মাটিশাল । ইয়াত মাকো হাতেৰে মৰা হয় বাবে তাঁতীশালতকৈ অলপ সময় লাগে বোৱনত। শালখনৰ সজ্জাটোও তেনেই সাধাৰণ। সততে পোৱা সামগ্ৰীৰে ঘৰতে পাতি ল'ব পাৰি। ন শিকাৰুৰ বাবেও এইখন বেছি উপযোগী।

প্ৰতিগৰাকী গ্ৰাম্য অসমীয়া মহিলা জন্মগত শিপিনী। অসমৰ গাঁওবোৰৰ প্ৰতিখন ঘৰতেই একোখন তাঁতশাল আছে বুলি ক'ব পাৰি। কল-কাৰখানা ওলোৱাৰ পিছতো অসমীয়া শিপিনীয়ে ধুনীয়া ধুনীয়া কাপোৰ বৈ বজাৰত উলিয়াই ৰাইজৰ মন আকৰ্ষণ কৰিব পাৰিছে। তাঁতশালৰ কাপোৰে বহু পৰিয়ালক আৰ্থিক সকাহ দিব। ৰাজ্যিক হস্ত-তাঁত আৰু বস্ত্ৰ শিল্প বিভাগে শিপিনীসকলৰ আৰ্থিক সাহাৰ্য্যৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে।

হস্ত তাঁত শিল্পই অকল অসমতে নহয়, ভাৰতবৰ্ষতে এক সুদূৰ প্ৰসাৰী ভূমিকা পালন কৰি আহিছে। বয়ন শিল্পক লৈয়েই বিভিন্ন ধৰণৰ কৰ্মৰ ভাগ অনুযায়ী ভালেমান আনুষংগিক বিভাগ লৈ বয়ন শিল্প গঢ়ি উঠে। যেনে সূতা আৰু কাপোৰত ৰং দিয়া, ছাপ মৰা, পাৰিব গুণা তৈয়াৰ কৰা, যন্ত্ৰৰ সহায়ত কাপোৰত ফুল বছা, পাটমুগা আৰু মিশ্ৰিত কাপোৰ বোৱা, উৎপাদিত কাপোৰৰ বিক্ৰী কেন্দ্ৰ খোলা ইত্যাদি। দক্ষিণ ভাৰতত হস্ত তাঁত শিল্প ব্যৱসায়ত পুৰুষেই বিশেষ ভূমিকা গ্ৰহণ কৰিছে। জীৱিকাৰ নিৰ্বাহৰ ইয়ো এটা প্ৰধান সম্বল।

তাঁত শিল্প প্ৰাচীন গৌৰৱময় গ্ৰাম্য কুটিৰ শিল্প। অসমৰ জাতীয় শিল্প। সকলো জনজাতিয়ে তাঁতশালত কাপোৰ বয়। কৃষিৰ পিছতেই বয়ন শিল্পৰ দ্বিতীয় স্থান বুলি কওঁতে ভুল নহয়। মানুহে কথাতেই কয়-মতাই বব হাল, মাইকীয়ে বব শাল। অসমীয়া মহিলাই ৰাতিটোৰ ভিতৰতে সূতা কাটি কাপোৰ বৈ উলিওৱাৰ পৰম্পৰা আছিল। ঘৰৰ পুৰুষক একে ৰাতিৰ ভিতৰতে সূতা কাটি কাপোৰ যুদ্ধলৈ পঠাই গৌৰৱবোধ কৰা বুলিও জনা যায়।

অসমীয়া জীয়ৰী-বোৱাৰীহতঁৰ হাতে বোৱা কাপোৰৰ মান দেখি মহাত্মা গান্ধীয়ে ভূয়সী প্ৰশংসা কৰিছিল। আজিকালি আধুনিক যন্ত্ৰ-পাতিৰে জাকজমকীয়া বিভিন্ন প্ৰকাৰৰ কাপোৰ বৈ কম দামত বজাৰত দিব পৰা হোৱাত হাতে বোৱা কাপোৰ বিপৰঞ্জয্যয়ৰ মুখত পৰিবলগীয়া হৈছে। ফলত শিপিনীসকল আৰ্থিক দিশত অসুবিধাৰ সন্মুখীন হৈ পৰিছে। এসময়ত অসমীয়া সমাজত কাপোৰ ববলৈ নজনা ছোৱালীক 'অকাজী' বুলি আখ্যা দিছিল। কাপোৰ বব নজনা ছোৱালীক বিয়া কৰাবলৈ অসন্মত হৈছিল। অৱশ্যে আজিকালি কাপোৰ বব নাজানিলেও হয়; পঢ়াৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে।

তাঁতৰ শালখনক অসমীয়া নাৰীৰ অতি হেঁপাহৰ, অতি মৰমৰ সম্পদ বুলিব পাৰি। প্ৰতিগৰাকী নাৰীৰ শিপিনীৰ পৰিচয় বিভিন্ন সময়ত ৰচিত বিহুনাম আদিৰ মাজেৰে ফুটি উঠে। বয়ন শিল্পক সজীৱ কৰি ৰখাৰ মানসিকতাৰ মৰমৰ দীঘেৰে, চেনেহৰ বাণিৰে বোৱা বিহুৱান একোখন প্ৰিয়জনক দি নিজে পাটমুগাৰ ৰিহা মেখেলা পিন্ধি বান্ধৱীসকলৰ লগত আনন্দ কৰাৰ সময় এই ৰঙালী বিহুতে। অসমীয়া সমাজৰ গামোচাৰ অতি সন্মান আছে।

তাঁতশাল চহকী ঐতিহ্যৰ প্ৰকাশ। বাণৰ হৰ্ষ চৰিতত প্ৰাচীন কামৰূপৰ বস্ত্ৰ শিল্পৰ মানৰ কথা স্পষ্ট। কৌটিল্যৰ অৰ্থশাস্ত্ৰত উল্লিখিত 'সুবৰ্ণ কুঞ্জ' আৰু 'পত্ৰোৰ্ণ' শব্দই আমাৰ এই শিল্পৰ প্ৰাচীনত্বৰ ইংগিত দিয়ে। তাঁতশাল পূজাও এবিধ ঋতুকালীন উৎসৱ। দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা দেৱী বিসৰ্জন দিয়াৰ আগতে এই পূজা কৰা হয়। নামনি অসমৰ কিছুমান অঞ্চলত এই উদ্দেশ্যৰে 'আইলা পূজা' কৰা হয়। আইলা পূজাতো বোৱা-কটা সম্পৰ্কীয় গীত-মাত গোৱা হয়। সপ্তম শতিকাৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মণৰ উপ-টোকনৰ মাজত মিহি, উৎকৃষ্ট খাপৰ ৰেচমী কাপোৰৰ নাম পোৱা যায়। বৈদিক যুগত ছোৱালীসকলক ব্যৱহাৰিক আৰু উপযোগী শিক্ষা দিয়া হৈছিল। সূতা কটা, বোৱা-কটা আদিৰ বিষয়ে ঋকবেদত উল্লেখ আছে।

এণ্ডি বা এৰিয়া চাদৰ অসমীয়া লোকৰ বাবে বৰ সন্মানৰ কাপোৰ। গাম্ভীৰ্যতা প্ৰকাশ পায়। 'পলু' নামৰ পোকক এৰা গছৰ পাতত ৰাখি এবিধ সূতা উলিওৱা হয়। ইয়াক এৰি সূতা কোৱা হয়। ধুতি, চাদৰ, এৰি কাপোৰ পিন্ধা লোকসকলক খাঁটি অসমীয়া সাজপাৰ পৰিধান কৰা লোক বুলি চিনাক্ত কৰিব পৰা যায়। নলবাৰী জিলাৰ বনমাজা, হিডলাৰটাৰী, বৰপেটা, কেকানকে ধৰি মুকালমুৱা অঞ্চল, বৰ্ণিবাৰী অঞ্চল আদিত এৰি কাপোৰ নিৰ্মাণ কৰে। বিশেষকৈ   সম্প্ৰদায়ৰ তিৰোতাসকলে এৰিয়া চাদৰ তৈয়াৰ হয়।

অসমৰ সৰ্বপ্ৰথম এৰি সূতা কটা যঁতৰৰ উদ্ভাৱক হ'ল জ্ঞানানন্দ চৌধুৰী। অসমৰ শিপিনীৰ সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্ক থকা চৌধুৰীৰ জন্ম হৈছিল ১৯১১ চনৰ ১৯ জুনত বৰপেটাত। তেওঁ এটা উল্লেখনীয় আৱিষ্কাৰেৰে অসম তথা গোটেই ভাৰতবৰ্ষতে খ্যাতি লাভ কৰে। শিপিনীসকলৰ যি আওপুৰণি সূতা কটা পদ্ধতি তাৰ আধুনিকীকৰণৰ প্ৰতি লক্ষ্য ৰাখি অতি কম শাৰিৰীক কষ্ট খটুৱাই শিপিনীসকল অধিক উপাৰ্জনক্ষম হ'ব পাৰিব এই বিষয়ে চিন্তা কৰে। তেওঁ অনুভৱ কৰে যে গোটেই অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে অসমীয়া বোৱনী শিপিনীৰ এক উল্লেখযোগ্য স্থান আছে। অসম চৰকাৰৰ এৰি মুগা, পাট মুগা কটা যন্ত্ৰৰ যোগান ধৰোতা হিচাপে অসম, ভূটান, মেঘালয়, নগালেণ্ড, কৰ্ণাটক আদিত যথেষ্ট সমাদৰ লাভ কৰিছে। উল্লেখ কৰাটো ভাল হ'ব নলবাৰী জিলাৰ জাগাৰা সভাত এসময়ত যথেষ্ট এৰি কাপোৰ ওলাইছিল। মানুহে এৰি কাপোৰ আৰু বৰালী মাছ কিনাৰ বাবেই সভালৈ গৈছিল। তাঁতশালেই অসমত আজি দহ লাখৰ ওপৰ বোৱনীক স্বাৱলম্বী কৰাত সহায় কৰিছে। হাতেবোৱা তাঁতশালক আপুৰুগীয়া বাপতিসাহোন বুলি আজিও সাবটি থকা অসমৰ বোৱনীসকল, বিশেষকৈ শুৱালকুছিৰ নিচিনা বয়ন শিল্প প্ৰধান স্থানৰ লোকসকল তাঁতশালত উৎপাদিত বস্ত্ৰৰ ব্যৱসায়েৰে উন্নত জীৱন-যাপন কৰি আছে। সঁচাকৈয়ে শুৱালকুছিয়ে বস্ত্ৰ শিল্প নগৰী হিচাপে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। শুৱালকুছিৰ পিছতেই নলবাৰী জিলাৰ ককয়া গাওঁখনে দ্বিতীয় স্থান লাভ কৰাটো গৌৰৱজনক

# ভাৰতত স্বাধীনতা আন্দোলনত
# মহিলাৰ ভূমিকা

টিনামনি দাস

"অসমীয়া নাৰীয়ে কাপোৰত
সপোন ৰচিব পাৰে"

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত নাৰীসকলৰ অংশগ্ৰহণ আছিল উল্লেখযোগ্য । মহাসংগ্ৰামত নাৰীসকলৰ অপৰিসীম ত্যাগ,কষ্ট, সাহসে সকলোকে গৌৰৱান্বিত কৰিছিল । নাৰীসকলৰ অংশগ্ৰহণৰ বাবেহে ভাৰতৰ জাতীয় আন্দোলনে সফলতাৰ মুখ দেখিছিল বুলি ক'লেও হয়তো বহলাই কোৱা নহ'ব । বিংশ শতিকাত মহামানৱ মহাত্মা গান্ধী,লালা লাজপত ৰায়,মতিলাল নেহৰু, আব্দুল কালাম আজাদ,চক্ৰৱৰ্তী ৰাজা গোপালা চাৰি,বাল গংগাধৰ তিলক,গোপাল কৃষ্ণ গোখলে, জৱাহৰলাল নেহৰু,সুভাষ চন্দ্ৰ বসু আদিৰ দৰে স্বনামধন্য মনীষীয়ে ভাৰতৰ জাতীয় আন্দোলনৰ ক্ষেত্ৰখনলৈ নিজৰ স্মৰণীয় অৱদান আগবঢ়াইছিল। পুৰুষৰ সমানে সমানে নাৰীসকলৰ সক্ৰিয় অংশগ্ৰহনে ভাৰতৰ জাতীয় আন্দোলনক আৰু অধিক সমৃদ্ধ কৰি তুলিছিল। প্ৰাচীন ভাৰতবৰ্ষত ভাৰতীয় নাৰীৰ সামাজিক মৰ্যদা যথেষ্ট উন্নত আছিল । বৈদিক যুগত ভাৰতীয় নাৰীৰ স্থান অতি লেখত ল'বলগীয়া আছিল। কিন্তু পৰৱৰ্তী বৈদিক যুগত ভাৰতীয় নাৰীৰ স্থান ক্ৰমাৎ অৱনমিত হ'বলৈ আৰম্ভ কৰিছিল । মধ্য যুগত নাৰীৰ সামাজিক স্থানৰ মৰ্যাদা যথেষ্ট অৱনমন ঘটিছিল।

১৮১৭ খ্ৰীঃ তেই ভাৰতবৰ্ষৰ নাৰীসকলে ভাৰতৰ মুক্তিৰ সংগ্ৰামত অংশগ্ৰহণ কৰি নিজৰ অৱস্থিতি প্ৰমাণ কৰিছিল। ভিমাবাঈ হোলকাৰ নামৰ এগৰাকী দেশপ্ৰেমিক নাৰীয়ে ব্ৰিটিছ বিষয়া কৰ্ণেল মেলকমৰ বিৰুদ্ধে অস্ত্ৰ হাতত তুলি লৈছিল আৰু তেওঁক গেৰিলা যুদ্ধ কৰি পৰাস্ত কৰিছিল। ভীমাবাঈ হোলকাৰৰ এনে কায্যই ভাৰতীয় নাৰীসকলৰ অদম্য শক্তিৰ কথাকেই ইংগিত দিছিল। ভাৰতবৰ্ষৰ আন এগৰাকী পৰাক্ৰমী নাৰী তথা স্বনামধন্য স্বাধীনতা সংগ্ৰামী ঝাণ্ডী ৰাণী লক্ষ্মীবাঈৰ ভূমিকা আছিল অনস্বীকায । তেওঁ ব্ৰিটিছৰ বিৰুদ্ধে অস্ত্ৰ তুলি ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল আৰু ইংৰাজৰ লগত যুদ্ধ কৰিবৰ বাবে তজ্ৰ্র তেওঁ পুৰুষৰ দৰে সাজ-পাৰ পৰিধান কৰিছিল।

১৯১৯ চনৰ শেষৰ পৰা ভাৰতবৰ্ষত মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন আৰম্ভ হৈছিল আৰু এই আন্দোলনত গান্ধীজীৰ আহ্বান মৰ্মে ভাৰতৰ পুৰুষ মহিলা সকলোৱে অংশগ্ৰহণ কৰিছিল। তেওঁ ৰামায়ণ মহাকাব্যৰ উপমাৰে ভাৰতৰ হিন্দু নাৰীসকলক জাতীয় আন্দোলনৰ মূল ধাৰাত অংশগ্ৰহণৰ বাবে অনুৰোধ জনাইছিল।

চিত্ৰৰঞ্জন দাসৰ পত্নী বাসন্তী দেৱী, উৰ্মিলা দেৱীকে আদি কৰি, সুনীত দেৱী আদি কৰি নাৰীক চৰকাৰে গেপ্তাৰ কৰিছিল। ১৯২১ চনৰ ৮ ডিচেম্বৰত প্ৰায় ১৭০ জন প্ৰতিবাদকাৰীক গেপ্তাৰ কৰা হৈছিল। গান্ধীয়ে নিজৰ বিখ্যাত কাকত, ইয়ং ইণ্ডিয়াত বংগদেশৰ নাৰীসকলে ৰাজনীতিত কৰা ইতিবাচক আৰু সক্ৰিয় অংশগ্ৰহণ ভাৰতৰ অন্য নাৰীসকলৰ বাবে প্ৰেৰনাৰ উৎস বুলি অভিহিত কৰিছিল। আহমেদাবাদত অনুষ্ঠিত কৰা সৰ্ব ভাৰতীয় নাৰী সন্মিলনত(All India Ladies Conference) প্ৰায় ৬০০০ নাৰীয়ে অংশগ্ৰহণ কৰিছিল আৰু মহম্মদ আলি আৰু চৌকত আলীৰ মাতৃ বাই আম্মাৰ ভাষণ শুনিছিল। গান্ধীজীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সৰলাদেৱী চৌধুৰিনী, দুৰ্গাবাঈ, মান্দা দেৱী মুখাৰ্জী, মুথুলকঞ্জম্মী ৰেড্ডী,ৰাজকুমাৰী অমৃত কৌৰ আদিৰ হৈছিল। গান্ধীয়ে নিজৰ বিখ্যাত কাকত, ইয়ং ইণ্ডিয়াত বংগদেশৰ নাৰীসকলে ৰাজনীতিত কৰা ইতিবাচক আৰু সক্ৰিয় অংশগ্ৰহণ ভাৰতৰ অন্য নাৰীসকলৰ বাবে প্ৰেৰনাৰ উৎস বুলি অভিহিত কৰিছিল। আন এগৰাকী নাৰী মতিলাল নেহৰুৰ পত্নী স্বৰূপ ৰাণীয়েও গান্ধীজীৰ আদৰ্শৰ প্ৰতি যথোচিত সঁহাৰি প্ৰদৰ্শন কৰিছিল আৰু নাৰীসকলক আন্দোলনত অংশগ্ৰহণ কৰিবৰ বাবে আহ্বান জনাইছিল।

১৯৩০ চনৰ পৰা আৰম্ভ হোৱা আইন অমান্য আন্দোলনত ভাৰতবৰ্ষৰ নাৰীসকলে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। বোম্বেৰ নাৰী সকলে ১৯৩০ চনৰ পৰা ১৯৩২ চনলৈকে পিকেটিং, বিদেশী বস্তু বৰ্জন কৰা আদিৰ দৰে কাযসূচী হাতত লৈছিল। হাজাৰ হাজাৰ নাৰীয়ে প্ৰতিবাদী সমদল বাহিৰ কৰিছিল। ' ৰাষ্ট্ৰীয় স্ত্ৰী সংঘ ' নামৰ এটা নাৰী সংগঠনে আইন অমান্য আন্দোলনত অংশগ্ৰহণ কৰিছিল আৰু ইয়াৰ নেতৃত্বত আছিল আগশাৰীৰ নাৰী ক্ৰমে সৰোজিনী নাইডু,গোচাইবেন নৌৰাজী, অৱন্তি কাবাঈ গোখলে আদি ।

১৯৩০ চনত মহামানৱ মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলনৰ অংশ হিচাপে দাণ্ডিৰ যাত্ৰা আৰম্ভ কৰিছিল । যি স্থানতেই মহাত্মা গান্ধী ৰৈছিল , তাতেই হাজাৰ হাজাৰ মহিলা সমৱেত হৈছিল আৰু গান্ধীজীয়ে নিজৰ ভাষণ ৰাখিছিল । তেওঁ গাঁৱৰ মহিলাসকলক ' খদ্দৰ ' কাপোৰৰ আদৰ্শ প্ৰচাৰ কৰিব বিচাৰিছিল । যিসময়তে ইংৰাজ সকলে ভাৰতীয় জাতীয় আন্দলনক স্তিমিত কৰিব বিচাৰিছিল তেনে এক

সময়তে নাৰীসকলে তাৰ নেতৃত্ব বহন কৰিছিল । 'দেশ সেৱিকা' নামৰ নাৰীসকলৰ এটা গোটে সমগ্ৰ দেশজুৰি এক আন্দোলনৰ সূত্ৰপাত কৰিছিল । স্বদেশীৰ মন্ত্ৰৰে মহিলাসকল দীক্ষিত হৈছিল আৰু মহিলাসকলৰ এটা দলে গান্ধীজীৰ জন্ম দিনৰ দিনা প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু তেওঁক কাৰাগাৰৰ পৰা মুক্তি দিবৰ বাবে দাবী উত্থাপন কৰিছিল ।

জিলাৰ চহৰ আৰু সদৰবিলাকত নাৰীসকলৰ দ্বাৰা শক্তিশালী আন্দোলনৰ প্ৰসাৰ ঘটিছিল । ১৯২৮ চনত বংগদেশত " মহিলা ৰাষ্ট্ৰীয় সংঘ" নামৰ এটা অনুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ ফলত বংগদেশত নাৰীসকলৰ মাজত এক ৰাজনৈতিক সজাগতাৰ পৰিৱেশ ৰচনা কৰা হৈছিল। লতিকা ঘোষ নামৰ অক্সফ'ডৰ এগৰাকী উচ্চ শিক্ষিত নাৰীয়ে এই সংগঠন স্থাপনৰ ক্ষেত্ৰত আগভাগ লৈছিল লতিকা ঘোষে চাইমন কমিছনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাত অগ্ৰণী ভূমিকা পালন কৰি সকলোৰে দৃষ্টি কাঞ্চিছিল । লতিকা ঘোষে নিজৰ লেখনীৰ দ্বাৰা নাৰীকসকলৰ মাজত এক জাগৰণ অনাৰ পোষকতা কৰিছিল। তেঁও ভাৰতৰ নাৰীসকলক দেৱীৰ লগত তুলনা কৰিছিল আৰু তাৰ লগতে বিদেশী শাসনক অসুৰৰ লগত তুলনা কৰিছিল।

শান্তি দাস এগৰাকী শিক্ষয়িত্ৰী আছিল আৰু নাৰীসকলৰ স্বাৰ্থৰ হকে বিদ্যালয় স্থাপন কৰিছিল। সেই সময়ত কলিকতাৰ এগৰাকী প্ৰণিধানযোগ্য বিপ্লৱী সন্ত্ৰাসবাদি নাৰী আছিল বীনা দাস । তেওঁ সহযোগী সকলৰ সৈতে এটা ছাত্ৰ সংগঠন প্ৰতিষ্ঠা কৰিছিল। তেওঁলোকে প্ৰতিষ্ঠা কৰা অনুষ্ঠানটিৰ নাম আছিল "ছাত্ৰ সংঘ" । এই অনুষ্ঠানৰ অধীনত নাৰীসকলৰ সৰ্বোওৰ বিকাশ , যেনে — শ্ৰেণীৰ ব্যৱস্থা কৰা, শাৰীৰিক বিকাশৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা, সাঁতোৰৰ বাবে ব্যৱস্থা কৰা, সমবায়ৰ ব্যৱস্থা কৰা , গ্ৰন্থাগাৰ আৰু ছাত্ৰীবাখৰ ব্যৱস্থাও কৰিছিল। বীনা দাসৰ ভগ্নী কল্যানিয়ে ছাত্ৰী সংঘৰ নেতৃত্ব বহন কৰিছিল। ১৯৩১ চনৰ ফেব্ৰুৱাৰী মাহত বীনা দাসে বংগৰ কলিকতা বিশ্বদ্যালয়ৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰিবলৈ যোৱা বংগৰ গবৰ্ণকৰ গুলিয়াবলৈ চেষ্টা কৰিছিল। ১৯৩৩ চনৰ আগে-পিছে ভাৰতবৰ্ষৰ প্ৰায়ভাগ বিপ্লৱী নাৰীকে চৰকাৰে কাৰাৰুদ্ধ কৰিছিল।

১৯৪২ চনৰ আগষ্ট মাহৰ ৮ তাৰিখে ভাৰতবৰ্ষত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত ভাৰত ত্যাগৰ প্ৰস্তাৱ গৃহীত কৰা হৈছিল। সমগ্ৰ ভাৰতবৰ্ষ জুৰি তাৰ বিৰুদ্ধে এক জাগৰণৰ সূচনা হয়। গান্ধীজীৰ ভাৰত্যাগ আন্দোলনক সফল কৰিবৰ নিমিত্তে " কৰিম কিম্বা মৰিম" বাণীৰে ভাৰতবৰ্ষৰ সৰ্ব সাধাৰণ জনতাক উৎসাহিত কৰিছিল। গান্ধীজীৰ এই বাণী আছিল চ্ছ্ৰচৰ গণবিপ্লৱৰ এক অমোঘ শক্তি। ৪২ ৰ এই আন্দোলনে ভাৰতবৰ্ষৰ সকলো স্তৰৰ লোককে চুই গৈছিল আৰু চৰকাৰে আন্দোলনৰ গতি ৰুদ্ধ কৰিবৰ বাবে সকলোকে দমন কৰি কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। বহুতো কংগ্ৰেছী নেতাক চৰকাৰে গ্ৰেপ্তাৰ কৰাত আন্দোলনৰ গতি কিছু পৰিমাণে দুৰ্বল হোৱাৰ সময়তে নাৰী সকলে সক্ৰিয় ৰূপত অংশগ্ৰহণ কৰি আন্দোলনটো আৰু অধিক শক্তিশালী কৰি তুলিছিল । এই ক্ষেত্ৰত পোন প্ৰথমে নাম লব পাৰি কস্তুৰবা গান্ধীৰ নাম । মহা মানৰ মহাত্মা গান্ধীৰ পত্নী কস্তুৰবাই গান্ধীৰ দ্বাৰা প্ৰচাৰিত সত্যাগ্ৰহ আদৰ্শ নাৰীসকলৰ মাজত কৰিছিল আৰু ইয়াৰ জৰিয়তে তেওঁ নাৰীসকলক অনুপ্ৰাণিত কৰিছিল।

প্ৰথমাৱস্থাত তেওঁক বোম্বাইৰ কাৰাগাৰত ৰখা হৈছিল যদিও পৰৱৰ্তী কালত আগ্ৰা লৈ স্থানান্তৰিত কৰা হৈছিল ।তেওঁ কাৰাগাৰত থকা অৱস্থাতে ৰোগাক্ৰান্ত হৈ পৰে আৰু অৱশেষত ১৯৪৪ চনৰ ২৩ ফেব্ৰুৱাৰীৰ দিনা কস্তুৰবা গান্ধীয়ে ইহলীলা সম্বৰণ কৰে। ভাৰত ত্যাগ আন্দলনৰ সময়ত নাৰী সকলৰ সক্ৰিয় ভূমিকাক প্ৰতিনিধিত্ব কৰা আন এগৰাকী নাৰী আছিল ঊষা মেহতা । গান্ধীজীক গ্ৰেপ্তাৰ কৰাৰ পাছত ঊষা মেহতাই আকাশবাণীৰ দ্বাৰা গান্ধীজিৰ বাণী জনতাৰ মাজত প্ৰচাৰ কৰিছিল। ঊষা মেহতাৰ উদ্যোগত পোনপ্ৰথম বাৰৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছৰ আকাশবাণী প্ৰতিষ্ঠা কৰা হৈছিল। এই আকাবাণীৰ জৰিয়তে জনতাৰ মাজত মহাত্মা গান্ধীৰ আদৰ্শ বিলাক জনপ্ৰিয় কৰি তোলাত অনবদ্য ভূমিকা পালন কৰিছিল।

অসমৰ এগৰাকী নাৰী আছিল চিৰস্মৰনীয় স্বাধীনতা সংগ্ৰামী কনকলতা বৰুৱা । অসমৰ শোণিতপুৰ জিলাত জন্ম লাভ কৰা কনকলতা বৰুৱাই গহপুৰ থানত পতাকা উত্তোলন কৰিবলৈ অহাৰ সময়তে ব্ৰিটিছ চৰকাৰৰ হাতত মৃতুক সাৱটি লব লগা হৈছিল । ১৯৪২ চনৰ গণ অন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰা আন এগৰাকী মহীয়সী নাৰী আছিল অৰুণা আশ্ৰফ আলি । তেওঁ বোম্বেৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত উপস্থিত আছিল । ভাৰত ত্যাগ আন্দোলনৰ সময়ত তেঁও সম্পূৰ্ণ সক্ৰিয়তাৰে অন্দোলনত জঁপিয়াই পৰিছিল । ব্ৰিটিছ চৰকাৰে অৰুণা আশ্ৰফ আলিৰ সকলো সা সম্পত্তি বাজেয়াপ্ত কৰিছিল , তদুপৰি চৰকাৰে তেওঁক ধৰিবৰ বাবে ৫,০০০ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল । অৰুণা আশ্ৰফ আলি আন এগৰাকী সমসাময়িক বিপ্লৱী নাৰী উষা মেহতাৰ লগত অতি ঘনিষ্ঠ আছিল । ভাৰত ত্যাগ আন্দোলনক আগুৱাই নিয়াৰ ক্ষেত্ৰত অন্যতম ভূমিকা পালন কৰা আন এগৰাকী নাৰী আছিল সুচেতা কৃপালানী। অৰুণা আশ্ৰফ আলি, ঊষা মেহতা আৰু কনকলতাৰ দৰে তেওঁও ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰি প্ৰত্যক্ষ নেতৃত্ব প্ৰদান কৰিছিল ।

ভাৰতৰ নাৰীসকলে গান্ধীজীৰ আদৰ্শৰ প্ৰতি নিজৰ সমৰ্থন দিয়াৰ সমান্তৰালকৈ বিপ্লৱী সন্ত্ৰাসবাদী কাৰ্য্যকলাপৰ প্ৰতিও অকুণ্ঠ সমৰ্থন প্ৰদান কৰিছিল । উত্তৰপ্ৰদেশৰ ৰামপুৰৰ এগৰাগী অগ্ৰণী নাৰী হাজৰা বেগমে বিপ্লৱী সন্ত্ৰাসবাদী কাম কাজৰ প্ৰতি সমৰ্থন দিছিল । তেওঁৰ গান্ধীৰ আদৰ্শৰ দ্বাৰা সমূলি অনুপ্ৰাণিত নোহোৱাৰ কথা ঘোষণা কৰিছিল আৰু তাৰ পৰিবৰ্তে তেওঁ ৰাছিয়াৰ সমাজবাদী আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হোৱাৰ কথা অৱগত কৰিছিল ।

১৯৪০ ৰ দশকত ভাৰতৰ নাৰী সকল ৰাজনৈতিক ভাৱে আৰু অধিক সক্ৰিয় হৈ পৰা দেখা গৈছিল আৰু নাৰীসকলে নিজৰ ভোটাধিকাৰ আৰু অধিকাৰৰ বাবে উঠিপৰি লাগিছিল। হিন্দু নাৰীসকলৰ দৰে মুছলমান নাৰীসকলেও সকলো প্ৰকাৰে চেষ্টা কৰিছিল আৰু জাতি,শ্ৰেণী,গোষ্ঠী আদিৰ দৰে গণ্ডীৰ পৰা মুক্ত হৈ বৃহত্তৰ স্বাৰ্থৰ হকে মাত মাতিছিল ।



# ককা নীলমণি ফুকনৰ কবিতাৰ কথাৰে-

আৰতি ফুকন
প্ৰাক্তন ছাত্ৰী, বুৰঞ্জী বিভাগ

'হংসধ্বনি শুনিছো
ৰাতি পুৱাইছে নে ৰাতি হৈছে!
- - - - - - - - -
মই মোক হেৰুৱাই পেলাইছোঁ
তুমি তোমাক বিচাৰি ফুৰিছা।
ক'ৰবাত বৈ আছোঁ নে কি
নে গৈ আছোঁ!'

গোলাঘাট জিলাৰ দেৰগাঁওত ১৯৩৩ চনৰ ১০ চেপ্তেম্বৰ তাৰিখে নীলমণি ফুকনৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল কীৰ্তিনাথ ফুকন আৰু মাতৃৰ নাম আছিল বৰদাবালা ফুকন।

দীৰ্ঘদিন ধৰি কবিতাৰ চৰ্চা অব্যাহত ৰাখি আৰু নিজস্ব সাধনাৰে অসমীয়া কবিতাক সমৃদ্ধ কৰা অসমীয়া কাব্য জগতৰ ভোটা তৰা সদৃশ এজন ব্যক্তি হ'ল নীলমণি ফুকন । কবিতাৰ বাবে সমগ্ৰ জীৱন উৰ্চগা কৰি কবিতাৰ সাধনা কৰা ব্যক্তি সত্বাটোৰেই হ'ল নীলমণি ফুকন। অসমীয়া কবিতাৰ এটা উজ্জ্বল নক্ষত্ৰ নীলমণি ফুকনৰ কবিতাক বাদ দি আধুনিক অসমীয়া কবিতা সম্পূৰ্ণ নহয়। নিজস্ব অভিজ্ঞতা, স্মৃতি আৰু স্বপ্নৰ সমাহাৰেৰে সমৃদ্ধ নীলমণি ফুকনৰ প্ৰতিটো কবিতাৰ প্ৰকাশৰ ভাৱ ভংগী তথা বিষয়বস্তুৰ প্ৰতি পাঠক সহজে আকৃষ্ট হয়। অত্যন্ত ইন্দ্ৰিয় সচেতন, সংবেদনশীলতাৰ পৰিচয় দিয়া কবি নীলমণি ফুকনৰ কবিতাত সংমিশ্ৰণ থাকে ঐতিহ্য আৰু পৰম্পৰাৰ।

১৯৫০চনৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰা নীলমণি ফুকনৰ প্ৰকাশিত প্ৰথম কবিতাৰ সংকলন হ'ল ১৯৬৩ চনত প্ৰকাশিত 'সূৰ্য হেনো নামি আহে এই নদীয়েদি'। ইয়াৰ উপৰিও তেখেতৰ সংকলিত আন আন কবিতা পুথি সমূহ হ'ল- 'নিৰ্জনতাৰ শব্দ' (১৯৬৫) , 'আৰু কি নৈ:শব্দ' (১৯৬৮) , 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' (১৯৭১) , 'কাঁইট গোলাপ আৰু কাঁইট' (১৯৭৫), 'গোলাপী জামুৰ লগ্ন' (১৯৭৭) , 'কবিতা' (১৯৮১) , 'নৃত্যৰতা পৃথিৱী' (১৯৮৫) , 'অলপ আগতে আমি কি কথা পাতিছিলো' (২০০), 'সম্পূৰ্ণ কবিতা' (২০০৩), 'Selected poems' (2007), 'নীলমণি ফুকন ৰচনাৱলী' (২০১২) । ইয়াৰ উপৰিও (১৯৯৪) চনত প্ৰকাশিত 'সাগৰ তলিত শংখ' শীৰ্ষক কাব্য সংকলন খন হ'ল ডঃ হীৰেণ গোঁহাই সম্পাদিত নীলমণি ফুকনৰে কবিতাৰ এক সংকলন।

নীলমণি ফুকনৰ স্বনিৰ্বাচিত কাব্যগ্ৰন্থ ১৯৮০ প্ৰকাশিত 'কবিতা' পুথিৰ বাবে ১৯৮১ চনত সাহিত্য অকাডেমী বঁটা অৰ্জন কৰিছিল। ইয়াৰ জৰিয়তেই তেওঁৰ কাব্য প্ৰতিভা সৰ্বভাৰতত প্ৰতিষ্ঠা হোৱাৰ বাবে এটা বাট মুকলি হ'ল। কবি জীৱনৰ উল্লেখযোগ্য স্বাক্ষৰ বহন কৰা 'কবিতা' শীৰ্ষক কাব্য পুথিখনত নীলমণি ফুকনে ১৯৭৫ চনৰ পৰা ১৯৮০

চনৰ ভিতৰত ৰচনা কৰা কবিতাসমূহ সন্নিৱিষ্ট কৰিছে। গুজৰাটী, উড়িয়া, বাংলা, ইংৰাজী, আৰু জাৰ্মান ভাষালৈও অনূদিত হৈছে অসমীয়া কাব্য সাহিত্যত এক সুকীয়া পৰিচয়ৰ লগতে এক নিজা ব্যঞ্জনাৰ সূচনা কৰা নীলমণি ফুকনৰ কবিতা। ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে কাব্যগ্ৰন্থৰ বাবে নীলমণি ফুকনে অসম সাহিত্য সভা পুৰস্কাৰ লাভ কৰিছে। অন্যহাতে ১৯৭৭ চনত প্ৰকাশিত কাঁইট গোলাপ আৰু কাঁইট কাব্য গ্ৰন্থৰ বাবে নীলমণি ফুকনে অসম প্ৰকাশন পৰিষদৰ বঁটা, ১৯৯৭ চনত অসম উপত্যকা সাহিত্য বঁটা আৰু কমল কুমাৰী বঁটাও লাভ কৰিছিল। 'সংজ্ঞা' নামৰ এখন আলোচনীও সম্পাদনা কৰা নীলমণি ফুকনে ১৯৮২ চনত যুগোশ্লেভিয়াৰ ষ্টুটগাত অনুষ্ঠিত আন্তৰ্জাতিক কবি সন্মিলনীত একমাত্ৰ ভাৰতীয় প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰিছিল।

অসমীয়া কবিতাক নব্য ৰূপেৰে সমৃদ্ধ কৰা কবি হ'ল নীলমণি ফুকন। প্ৰতীক আৰু চিত্ৰকল্প নিৰ্মাণত সিদ্ধহস্ত এইগৰাকী কবিয়ে জাপানী হাইকু আৰু টংক, স্পেনীজ কবি ফেডাৰিকা গাৰ্থিয়া লৰ্কা আৰু ফৰাচী প্ৰতিকবাদী আন্দোলনৰ প্ৰভাৱেৰে তেওঁৰ কবিতাক সমৃদ্ধ কৰিছে। সৌন্দৰ্য বোধ, প্ৰেম, দু: স্বপ্ন, মৃত্যু চেতনা, ল'ৰালিৰ ধূসৰ স্মৃতি, প্ৰতিকী ব্যঞ্জনা হ'ল নীলমণি ফুকনৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। কম শব্দেৰে, অসমীয়া ভাষাৰ সুন্দৰ শব্দৰ ব্যৱহাৰেৰে তেওঁ কবিতাক ন-ৰূপ প্ৰদান কৰে। গুৰুত্বপূৰ্ণ কথা যে নীলমণি ফুকনৰ কবিতাতেই ৰামধেনু যুগৰ কবিতাৰ জটিল ৰূপ প্ৰতিফলিত হৈছে।

নীলমণি ফুকনৰ কবিতাৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল বিষয়ৰ ব্যাপ্তি আৰু গভীৰতা। প্ৰতীকবাদৰ সফল প্ৰয়োগৰ লগতে চিত্ৰকল্পৰ সঠিক ব্যৱহাৰৰ জৰিয়তে অসমীয়া কবিতাক সমৃদ্ধ কৰা নীলমণি ফুকনৰ কবিতাত অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তিৰ বৈচিত্ৰময় ৰূপ পৰিলক্ষিত হয়।

পৃথিৱীৰ বিভিন্ন দেশৰ কবি সকলৰ প্ৰতি আকৰ্ষিত হোৱাৰ লগতে তেওঁলোকৰ কবিতা অনুবাদ কৰি প্ৰকাশ কৰিছিল নীলমণি ফুকনে। তেওঁ অনুবাদ কৰা প্ৰকাশিত কাব্য সংকলন সমূহ হ'ল — 'জাপানী কবিতা' (১৯৭১) , 'গৰ্থিয়া ল'ৰকাৰ কবিতা' (ৰজ্মাজ্জৰ), 'অৰণ্যৰ গান' (১৯৯) আৰু 'চীনা কবিতা' (১৯৯৬), 'অনুসৃষ্টি' (২০১৪)। গুৰুত্বপূৰ্ণ কথা যে চীনা আৰু জাপানী কবিতাৰ উপৰিও বিশ্বৰ বিভিন্ন প্ৰান্তৰ কবিসকল গাৰ্থিয়া লৰ্কা, নাজিম হিকমত, হো-চি-মীনৰ আদিৰ লগতো নীলমণি ফুকনৰ সম্পৰ্ক আছিল আত্মিক। অৱশ্যে গভীৰ অধ্যয়নপুষ্ট আৰু ব্যক্তিনিষ্ঠ কবি নীলমণি ফুকনৰ কবিতাত কোনো কবিৰে প্ৰত্যক্ষ প্ৰভাৱ পৰিলক্ষিত নহয়। তাৰ বিপৰীতে জাতীয় জীৱনৰ ভেঁটিত লোক-সংস্কৃতি, চিত্ৰকলা তথা ঐতিহ্য চেতনাৰেহে সমৃদ্ধ নীলমণি ফুকনৰ কবিতা।

পঞ্চাশৰ দশকৰ পৰা কাব্য চৰ্চা কৰি নিজৰ প্ৰতিভা আৰু সাধনাৰ বলত আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত এক বিশেষ স্থান অধিকাৰ কৰা নীলমণি ফুকনে এক নতুন কাব্য শৈলী আৰু নতুন পৰীক্ষা নিৰীক্ষাৰ মাজেৰে অসমীয়া কবিতাক বিস্তৃতি প্ৰদান কৰিবলৈ সক্ষম হৈছে। পাঠক সমাজৰ মাজত সাৰ্থক কবিতা হিচাপে বিবেচিত নীলমণি ফুকনৰ কেইটামান কবিতা হ'ল- 'সূৰ্য হেনো নামি আহে এই নদীয়েদি', 'স্বপ্নবাসৱাদত্তা', 'বুৰঞ্জী, মৈথুন সংগীত', 'দৃশ্য, গোলাপীজামুৰ লগ্ন', 'গ্ৰীষ্মৰ কেইটামান ক্ষুদ্ৰকায় দৃশ্য' ইত্যাদি।

ফৰাচী কবিতাৰ প্ৰতীক চিত্ৰকল্পবাদৰ লগতে জাৰ্মান এক্সপ্ৰেছনিজিম — ইম্প্ৰেছনিজিম, চীনা — জাপানী কবিতাৰ পৰা পোৱা প্ৰেৰণা আৰু স্থানীয় ঐতিহ্য চেতনাৰ বাবে আন এক মহত্ব প্ৰতিফলিত হৈছে নীলমণি ফুকনৰ কবিতাত। প্ৰকৃততে বিভিন্ন বিচিত্ৰ বিষয়ে নীলমণি ফুকনৰ কাব্য ভাৱনাক চহকী কৰি তুলিলেও অসমীয়া লোক সাহিত্য, বৈষ্ণৱ সাহিত্য, পৰম্পৰা, অসমৰ মাটি- পানী — মানুহৰ গোন্ধেহে তেওঁৰ কবি মানসক আচ্ছন্ন কৰি ৰাখিছে।

ইংৰাজী সাহিত্যৰ বিখ্যাত কবি ৱাৰ্ডছৱাৰ্থৰ দৰেই তেওঁৰ প্ৰতিভাৰ আছে এক বিৰল নাম।

কবি নীলমণি ফুকনৰ বিয়োগে আমাৰ জীৱন আৰু নিঃস্ব কৰি গ'ল। তেওঁৰ অনুপস্থিতিত আমাৰ সাহিত্য-সংস্কৃতি জগতখন কিছু হ'লেও উকা হৈ থাকিব। নীলমণি ফুকন কবি হিচাপে সৰ্বাধিক পৰিচিত যদিও কেৱল কবি বাবেই তেওঁ অসমীয়া সমাজত স্মৰণীয় হৈ থাকিবনে? নীলমণি ফুকনে তেওঁৰ কবিতাত কিছুমান নতুন ধৰণৰ সংবেদনশীলতা লৈ অনাৰ লগতে সামাজিক মংগলবোধত বিশ্বাসী এটি সজীৱ মন আৰু অনাস্বৰ জীৱন-চৰ্যাৰে অজস্ৰ অনুৰাগীৰ মনত আদৰ্শ ব্যক্তি হিচাপে জীৱনকালতে পৰিগণিত হৈছিল।

আজিৰ অসমীয়া মানুহে পাহৰি যোৱা আমাৰ পৰম্পৰাগত সমাজৰ বহু শুভ আৰু সুন্দৰ দিশ তেওঁৰ কবিতা,শিল্প চৰ্চা আৰু জীৱন-চৰ্যাৰ মাজেৰে প্ৰতিফলিত হৈছিল। অসমীয়া সাধাৰণ মানুহৰ সৌন্দৰ্যবোধ- তেওঁলোকৰ মাত-কথা, উৎসৱ-পাৰ্বন আৰু বৈষয়িক সংস্কৃতিৰ মাজত লুকাই থকা শিল্প-চেতনা তথা সৌন্দৰ্যপিয়াসী মনটো ফুকনৰ কাব্য-জীৱনৰ আৰম্ভণিৰপৰাই পৰম কৌতূহলৰ বিষয় আছিল। তেওঁৰ কবিতাৰ ভাবনা আৰু ভাষাৰ চয়নত অসমীয়া সমাজখনৰ এই বিশিষ্টতা আৰু কোমলতা অনুভৱ কৰিব পাৰি। ব্যক্তিগত অভিজ্ঞতাৰ অভিঘাত বা আধাৰতে তেওঁ বহু স্মৰণীয় কবিতা ৰচনা কৰিলেও তেওঁৰ কবিতা পঢ়িলে প্ৰায়ে আমি অসমীয়া সামূহিক মনটোৰ উমান পাওঁ। আমাৰ আধুনিকতাৰ, বিশেষকৈ অসমীয়া আধুনিক কবিতাৰ ই এক সুকীয়া সম্পদ। এনেকৈ যাওঁ বুলিয়েনো যাবগৈ লাগেনে কাব্যঋষী। তুমিতো

নোহোৱা শেষ কোনোজনমত কোনোকালে কবিতাৰ হৃদয়ৰ পৰা। তোমাৰ যেন যাত্ৰা এয়া আজীৱনলৈ কবিৰ হৃদয়ৰ পৰা হৃদয়লৈ। এৰাহ,

'মৃত্যুটো এটা শিল্প,জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভ ভাস্কৰ্য।'(হীৰুদা)

অহাৰ বাটেৰে অজান মুলুকলৈ উভতি গ'ল কাব্যঋষি । দি গ'ল কোনোদিনেই উভতি নহাৰ প্ৰতিশ্ৰুতি । তেওঁৰ মৃত্যুত কবিতাই পাতিছে শোক সভা! কবিতাই কৈছে - হে কবি কিয় আমাক এৰি গুছি গ'লা ? ১৮ জানুৱাৰী,২০২৩, খবৰ আহিছিল তেওঁৰ অসুখৰ । ১৯ জানুৱাৰী,২০২৩ পুৱা ১১:৫৫ বজাত খবৰ আহিল জি এম চিৰ পৰা তেওঁ নোহোৱাৰ ।

অসমীয়া কাব্য সাহিত্যত তেওঁৰ কীৰ্তি আৰু অৱদানৰ আলচ কৰাৰ সাধ্য আমাৰ নাই । তেওঁৰ কবিতা পঢ়ি আমি কেৱল মন্ত্ৰমুগ্ধ হৈ পৰিব পাৰো । তেওঁৰ কাব্যিক চেতনা ইমান গভীৰ যে সেই উপলব্ধিৰ সীমনা নাছিল ।

শেষত কবিৰ ভাষাৰেই,

'টিপচাকিৰ আন্ধাৰত এদিন আইতাই
আমাক কৈছিল,
মানুহ নমৰে অ' সপোনতহে কোনোবাই
কেতিয়াবা কাৰোবাক মৰা দেখে।'

কবি তুমি অনন্য,অনন্য তোমাৰ কাব্যসৃষ্টি,অনন্য তোমাৰ শব্দ শৈলী। শিৰে শিৰে বৈ ৰোৱা জীৱন জনমলৈ।।

# প্ৰকৃতি সংৰক্ষণত
## কবি সাহিত্যিকৰ ভূমিকা...

উজ্জ্বল বৰা,
পঞ্চম ষাণ্মাসিক, শিক্ষা বিভাগ

কবিৰ কাব্য প্ৰতিভা অতুলনীয়। অতীজৰে পৰা কবি সাহিত্যিক তথা লেখকসকলক সন্মানৰ দৃষ্টিৰে চোৱা পৰিলক্ষিত হয়। বিষয়বস্তুৰ সাৱলীল উপস্থাপন, ব্যঞ্জনা, শব্দ চাতুৰ্যৰে কবি সাহিত্যিক সকলে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰে আৰু ঘনিষ্ঠ হৈ পৰে পাঠক সমাজত। জন্ম দিয়ে নিতৌ ন ন অনুৰাগীৰ। প্ৰতিজন প্ৰতিস্থিত লেখকৰ প্ৰতিটো লেখাতেই দৃষ্টি নিবদ্ধ থাকে পাঠক সমাজৰ। বাট চায় ৰয় কলমৰ পৰা নিগৰা নতুন নতুন শব্দবোৰৰ লগত পৰিচয় হ'বলৈ। কবি সাহিত্যিক তথা ভাল লেখক এজনৰ একো একোটা লিখনিয়ে সলনি কৰিব পাৰে একো একোখন সমাজৰ প্ৰেক্ষাপট, এটা প্ৰজন্মৰ চিন্তাধাৰা আৰু জাগ্ৰত কৰিব পাৰে নতুন চেতনা। অৱশ্যে এইক্ষেত্ৰত পাঠকৰ সংখ্যাও সৰহ হ'ব লাগিব।

প্ৰতিজন প্ৰতিস্থিত কবি সাহিত্যিকৰে নিজা দৃষ্টিভংগী, দৰ্শন আছে, আছে উদাত্ত কণ্ঠৰে সমাজত প্ৰচলিত শুভ বা অশুভ পৰম্পৰাসমূহৰ সপক্ষে বা বিপক্ষে মাত মাতিব পৰা অদম্য সাহস আৰু ক্ষমতা, স্পষ্টবাদী মনোভাৱ। তৰুণ প্ৰজন্মৰ লেখকসকলেও সেইসমূহ আয়ত্ব কৰাৰ যথেষ্ঠ প্ৰয়োজন আছে। স্বাধীনোত্তৰ কালৰে পৰা সমাজ পৰিৱৰ্তনৰ ক্ষেত্ৰত কবি সাহিত্যিক সকলৰ ভূমিকাই যথেষ্ট অৰিহনা যোগায় আহিছে। দেশপ্ৰেম তথা জাতীয়তাবাদী চিন্তাধাৰাৰ বীজ সিঁচি ব্যক্তিৰ সংগ্ৰামী সত্তাসমূহক জাগ্ৰত কৰি একত্ৰিত কৰালৈকে মূল ভূমিকা গ্ৰহণ কৰিছিল বিভিন্ন পটভূমিত ৰচিত বিভিন্ন লেখা সমূহে। ব্যক্তিৰ বিকাশৰ পৰা আৰম্ভ কৰি সামাজিক অগ্ৰগতি, জাতিৰ গৰিমা তথা ভৱিষ্যত সুনিশ্চিতকৰণ যেনেদৰে একোটা জাতিৰ বাবে প্ৰয়োজনীয় তেনেদৰে সমগ্ৰ মানৱ সভ্যতা ব্ৰতী থাকিবৰ বাবে অপৰিহাৰ্য এটা সুস্থ প্ৰকৃতিক পৰিৱেশৰ।

মানুহৰ লগত প্ৰকৃতিৰ সম্পৰ্ক অতি নিবিড়। দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতেই প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে আমি প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। এই বিষয়ে আকৌ নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। মুঠৰ ওপৰত মানৱৰ সৃষ্টিৰ পৰা আজিৰ পৰ্যায়লৈ উন্নীত হোৱালৈকে মূলতঃ এই বিনন্দীয়া প্ৰকৃতি বুলি কলেও বেছি কোৱা নহ'ব। প্ৰকৃতিৰ অনুগ্ৰহতেই আজিৰ দিনলৈকে অন্ন, বস্ত্ৰ, বাসস্থানৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰোগ ব্যাধিৰ সঞ্জীৱনীলৈকে আমি লাভ কৰি আহিছোঁ। ইয়াৰ বুকুতেই লুকাই আছে প্ৰচুৰ সম্পদ আৰু সম্ভাৱনা। তাৰোপৰি প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য, বিহগীৰ সুৰীয়া সংগীত, ঋতু পৰিৱৰ্তন আদিবোৰে সকলোৰে প্ৰাণত সঞ্চাৰ কৰে প্ৰশান্তিৰ এক মধুৰ মাদকতা। কিন্তু অনুতাপৰ বিষয় যে এই প্ৰকৃতি সম্প্ৰতি অসুস্থ আৰু অসুস্থতাৰ কাৰণ হ'ল আমাৰ কিছুমান অদূৰদৰ্শী সিদ্ধান্ত। মানুহৰ এনে কিছুমান কাণ্ডজ্ঞানহীন কৰ্মই প্ৰাকৃতিক পৰিৱেশলৈ নমাই আনিছে ঘোৰ আমানিশা, ঠেলি দিছে এটা অনিশ্চিত ভৱিষ্যতৰ দিশে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতি আৰু উন্নয়নৰ নামত যেন বননী ধ্বংসৰ প্ৰতিযোগিতাহে চলিছে। মানৱ সভ্যতাৰ বাবে উন্নয়ন লাগিবই কিন্তু সেই উন্নয়ন হোৱা উচিত বহনক্ষম আৰু পৰিৱেশ অনুকূল। আৰু ইয়াৰ বাবে লাগিব সজাগতা, সহযোগিতা, মিতব্যয়ী মনোভাৱ আৰু দূৰদৰ্শী চিন্তাধাৰা। কিন্তু এই সজাগতা আনিব কোনে।

বিভিন্ন সময়ত কবি সাহিত্যিকসকলে যেনেদৰে বিভিন্ন লেখাৰ মাধ্যমেৰে তৰুণ প্ৰজন্মৰ মাজত জাতীয় চেতনা জাগ্ৰত কৰি আহিছে, ব্যংগাত্মক লিখনিৰে মনোৰঞ্জনৰ খোৰাক যোগাইছে, প্ৰেমিক প্ৰেমিকাৰ হৃদয়ত সুকোমল ভালপোৱাৰ একোখন বাস্তৱ ছবি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে সেইদৰে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰতো তেওঁলোকে ভূমিকা গ্ৰহণ কৰক। একত্ৰিত হওক কলমৰ শক্তি আৰু সূচনা কৰক এক নৱ চেতনাৰ ঢল। তৰুণ তৰুণীয়ে সেইসমূহ পঢ়ক আৰু বুজি উঠক প্ৰকৃতি আৰু মানুহৰ সম্পৰ্কৰ কথা, কবিৰ মনৰ কথা। কবিৰ কলমত আছে সেই শক্তি যিয়ে তেওঁৰ লক্ষ লক্ষ অনুৰাগীৰ বিবেকত ক্ৰিয়া কৰিব পাৰে। সেয়েহে তেওঁলোকে লিখক চৰাই আৰু মানুহৰ সম্পৰ্কৰ কথা, গছৰ কথা, প্ৰকৃতিৰ বুকুত সঞ্চিত হৈ থকা সম্পদ সমূহৰ কথা, অনবিকৰণ সম্পদ সমূহৰ সৎ ব্যৱহাৰৰ কথা, শক্তি সংৰক্ষণ, বহনক্ষম উন্নয়নৰ কথা, ইত্যাদি ইত্যাদি। কবি সাহিত্যিক সকলে চৰকাৰলৈ লিখক প্ৰাকৃতিক সম্পদৰাজী সমূহ সংৰক্ষণ কৰি একো একোখন পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাওক। বিশ্বৰ সকলো আগশাৰীৰ দেশেই পৰ্যটনৰ জৰিয়তে অৰ্থনৈতিক সৱলীকৰণ কৰিবলৈ সক্ষম হৈছে। বন্যপ্ৰাণী সংৰক্ষণ, সম্পদৰ সু-ব্যৱস্থাপনা, বৃক্ষ ৰোপন আৰু প্ৰতিপালনৰ দৰে কাৰ্যসূচী সকলোৰে হাতত লবলৈ কবি সাহিত্যিকসকলে লেখাসমূহৰ জৰিয়তে এটা সেউজ বাৰ্তা প্ৰেৰণ কৰক।



# ভূত নে ভ্ৰম?

ৰঞ্জন দাস

এটা আন্ধাৰ আৰু ধুমুহাময় ৰাতি আছিল আৰু ৰঞ্জনে গাড়ী চলাই গৈ আছিল নিৰ্জন ৰাস্তা এটাৰে। সি এখন ভয়ংকৰ চিনেমা চাই বন্ধুৰ ঘৰৰ পৰা ওলাই আহিছিল আৰু অলপ ভয় খাইছিল। হঠাতে তাৰ গাড়ীখন কপিবলৈ ধৰিলে আৰু ইঞ্জিনটো বন্ধ হৈ গ'ল। ৰঞ্জনে গাড়ীখন আকৌ ষ্টাৰ্ট কৰিবলৈ চেষ্টা কৰিলে, কিন্তু গাড়ীখন ষ্টাৰ্ট নহ'ল।

গাড়ীৰ পৰা নামি আহি সি ইফালে সিফালে চালে। মাইলৰ পিছত মাইল সি দেখা পোৱা একমাত্ৰ বস্তুটো আছিল এটা পুৰণি, পৰিত্যক্ত ঘৰ। ৰঞ্জনে জানিছিল যে ধুমুহাটো পাৰ নোহোৱালৈকে তাত আশ্ৰয় লোৱাৰ বাহিৰে আন উপায় নাই।

ঘৰৰ কাষ চাপি অহাৰ লগে লগে ৰঞ্জনে তাক কোনোবাই চাই থকা অনুভৱ এটা আহিছিল আৰু অলপ ভয় খাইছিল। সি কথাটো অমান্য কৰি দুৱাৰত টুকুৰিয়াই দিলে। সি আচৰিত হ'ল, দৰ্জা খন নিজে নিজে কেৰেক কেৰেক কৰি খোল খালে।

ৰঞ্জনে সাৱধানে ভিতৰলৈ সোমাই গ'ল আৰু এটা কুটিল গোন্ধ আৰু এটা ভয়ংকৰ পৰিৱেশৰ সন্মুখীন হ'ল। সি নিজকে কৈয়েই থাকিল যে সেয়া কেৱল তাৰ কল্পনা, কিন্তু সি অকলশৰীয়া নহয় বুলি অনুভৱটো পাহৰিব পৰা নাছিল।

ঘৰটো অন্বেষণ কৰি থাকোঁতে সি অদ্ভুত কথাবোৰ ঘটি থকা লক্ষ্য কৰিবলৈ ধৰিলে। দুৱাৰবোৰ নিজে নিজে বন্ধ হৈ গৈছে আৰু বস্তুবোৰ নিজে নিজে গতি কৰিছে। ৰঞ্জনৰ ভয় বাঢ়ি আহিছিল যদিও সি ওলাই যোৱাৰ উপায় বিচাৰি নাপালে।

অৱশেষত সি উজুটি খালে আৰু আনবোৰতকৈও অধিক অস্থিৰ কোঠা এটাত সোমাই পৰিল। কোঠাটোৰ মাজত এখন ডাঙৰ, লেতেৰা আইনা আছিল। ৰঞ্জনে কোঠাটোৰ ভিতৰলৈ চাই থকাৰ সময়তে তাৰ পিছফালে থিয় হৈ থকা এটা ছাঁয়ামূৰ্তি দেখিলে। সি ঘূৰি চালে, কিন্তু তাত কোনো নাছিল।

হঠাতে আইনাখনত সেই মূৰ্তিটো দেখা গ'ল আৰু সি বুজি পালে যে সি অলৌকিক ক্ষেত্ৰত আবদ্ধ হৈ আছে। সি দৌৰিবলৈ চেষ্টা কৰিলে, কিন্তু সেই মূৰ্তিটোৱে তাক ঘৰৰ মাজেৰে খেদি ফুৰিলে,ছাঁয়ামূৰ্তিটোৰ ভয়ংকৰ হাঁহিৰে তাক ঠাট্টা কৰি।

ৰঞ্জনক আৰু কেতিয়াও দেখা পোৱা নগ'ল আৰু পুৰণি পৰিত্যক্ত ঘৰটো খালী হৈ থাকিল, ইমান ভয়ংকৰ ঘৰটোত সোমাবলৈ সাহস কৰা লৰাটো আৰু ঘূৰি নাহিল, সাহসী আত্মাৰ বাহিৰে!



গৈ আছো.....................।
এটি অচিন হাবুং বাটেৰে
কোন দিশে গতি কৰিছো
কোন দিশে পয়ৰ দিছো,
নাই কোনো ঠিকনা
এই হেলাৰঙী জীৱনৰ।
অব্যক্ত হেজাৰ সুখ-দুখক
আঁদৰিছো একেলগে
গাইছো হেঁপাহৰ গান,
তথাপি শেষ হোৱা নাই
এই অচিন যাত্ৰা।
ক'লৈ যাম নজনাকৈ
ক'ত ৰ'ম নভৱাকৈ
এই অদৃষ্ট যাত্ৰাত,
গৈ আছো মাঁথো
ইপাৰৰ পৰা সিপাৰলৈ।

# সপোন

গীতিমনি দত্ত

এই যে সপোন,
ই  জীৱন জীয়াৰ বাসনা।
এই বিশাল পৃথিৱীখনৰ
প্ৰত্যেকৰে সপোন বোৰ বেলেগ বেলেগ।।
কিছুমান হয়টো সৰু ,কিছুমান ডাঙৰ।
প্ৰত্যেকেই নিজ সপোনৰ পিছে পিছে দৌৰে।
কিছুমান হৈটো  সফল, কিছুমন বিফল ।।
কিছুমান সপোন পলকতে ভাঙি চুৰ মাৰ হৈ যায়।
তথাপিও অবিৰত
চেষ্টাৰ জৰীডাল টানিয়ে থাকিব লাগে।
কিজানি বাস্তৱক ধুকিয়ে পাই।।
সপোন বিহীন জীৱনটো
উদাসি হৃদৰত অবক্তি বেদনৰে ভাৰাকান্ত।।

# উকমুকনি

মহাজ্যোতি দাস

এটি দুখৰ ৰাতি
নিজান, নিস্তব্ধ , বিৰক্তিকৰ
আছে শব্দ মাথো কলমৰ
এখন হাত গালত থৈ
কোচত কোমল গাৰোটো গুজি লৈ
আনখন হাতেৰে লিখি গৈছো
মোৰ সুখ-দুখৰ সীমাহীন কাহিনী ...

মাজে মাজে সংগ দিয়েহি,
মোৰ দুখৰ পৰিচায়ক চকুপানীৰ টোপালবোৰ
যত প্ৰতিফলিত হৈ পুনৰ ধূসৰ হৈ পাৰে
মোৰ মনৰ হাজাৰ প্ৰতিচ্ছবি
অশেষ  চেষ্টা , অথচ ব্যৰ্থ

মাজনিশা দূৰৈৰ  কোনোবা চুকত
ফটকাৰ শব্দই গৰ্জন কৰি উঠে
কাৰোবাৰ হয়টো ভাগ্যই ধৰা দিছে।
তাকে শুনি মনটোৱে সাৰ পাই উঠে  ।।



গল্প

# সন্ত্ৰাস

কৃষ্ণ দাস

কণ , ঐ কণ,কণ ঐ স্কুল লৈ নাযাঅ'নেকি ? ফোপাই- জোপাই মনে আমান জিমন কৈ বাৰণ্ডাৰাৰ্ত বহি থকা কণক সুধিছেহি ।কণে কলে, ঐ নাজান নেকি ? কি ? বুলি তপৰাই মনক প্ৰশ্ন হে কৰিলে ।ৰ' চোন, কৈ আছো শুন ! আজি ২৩ মাৰ্চ নহয় জানো ।সমগ্ৰ ভাৰতবৰ্ষতে সেই চাইনাৰ পৰা যে কোনোবা কৰুণা আৰু লগত মহা -মাহী আহিছে ;যাৰ বাবে লক ডাউন ঘোষণা কৰিছে। তাতকৈ ডাঙৰ কথা কি জান ;এই ঘোষণা কোনে কৰিছে ;মন তই গম পাইছ নাই? কোনে? বুলি মানে কণক প্ৰশ্ন হে কৰিলে ।আমাৰ যে বুৰঞ্জী পঢ়ুৱা হাজৰিকা চাৰে যে কৈছিল ,সেই দিনা শ্ৰেণী কোঠাত ! ৰে'ল ষ্টেচনত চাহ বিক্ৰী কৰা সেই মানুহ জন যে! নামটো কি আছিল! পাহৰিচোয়েই নহয়! লগে লগে মনে কনক কৈ উঠিল ।মাননীয় শ্ৰী যুত নৰেন্দ্ৰ মোডী নেকি। হয় হয় তেওঁয়েই। কোন হয় ,তই নাজান নেকি ,পাহৰিলি নেকি ? নাই হাজৰিকা চাৰে কৈছিল মনত আছে । তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰী।

ঐ কণ লক ডাউন মানে নো কি? কি হব ? বুলি মনে কণক প্ৰশ্ন হে কৰিলে। কণ কালি টি :ভি ত কৈ থকা শুনিছিলো যে, যান -বাহন নচলিব,স্কুল বোৰ বন্ধ থাকিব, দোকান বজাৰ বোৰো বন্ধ থাকিব ।কি তয়ে ময়ে দেওবাৰে তঁহতৰ মামা হঁতৰ ঘৰলৈ যোৱা কথা আছিল! কি যাব নোৱাৰিম নেকি ।কণক সুধিলে ,

কণ :অ'ই সেইবোৰ বাদ দে কলৈকো যাব নোৱাৰ ।আমাৰ দেউতা আজি ৰাতিপুৱা সাত বজাৰ মানত বজাৰলৈ গৈছিল। দেউতাই কৈছে বজাৰ খনত পুলিচে মানুহবোৰক ধুমা -ধুম দি সেদি পঠিয়াইছে ।দোকান বজাৰ সকলো বন্ধ ।বুজিছ এই যে চাইনাৰ পৰা আহিছে কৰুণা আৰু লগত যে আহিছে মহা -মাহী ইহঁত তিনিটাই আমাৰ ভাৰতত সোমাই সন্ত্ৰাস ৰ সৃষ্টি কৰিছে গম পাইছ নাই ।

এনেতে কণৰ ককায়েকে ভিতৰৰ পৰা ওলাই আহিছে ।সিহঁতৰ উদ্দেশ্যে ক'লে ঐ তহঁত দুটাই কোন কৰুণা মহা মহা -মাহী কথা পাতি আছ ।কণে কক্সলে সেই যে ছাইনাৰ পৰা আহিছে ! ঐ অকৰাহঁত সেইয়া কৰুণা মহা -মাহী নহয়। ঐ কৰুণা মহামাৰীৰ হে ।

মানে কিনো বুলি কণ আৰু মন দুয়োটাই একে উশাহতে সুধিলে । কৈছোঁ শুন কৰুণা মহামাৰীৰ হল এক প্ৰকাৰৰ সংক্ৰামক ভাইৰাছ। বিশ্বজুৰি এই মহামাৰীৰ ৰোগ তিৰ বাবে হাজাৰ হাজাৰ মানুহ মৃত্যু মুখত পৰিছে ।এই বেমাৰ টি যে কোনো এজন লোকৰ গাত হৈছে বুলি কেনেকৈ গম পাব পাৰি;তহঁতে জান নাই । ওহোঁ নাজানো, বুলি কণ আৰু মন দুয়োটাই একেলগে উত্তৰ দিলে ।

শুনি যা নহলে মই কৈ গৈছোঁ বুলি কণ ৰ ককাইয়েকে কৈ গল ; কৰুণা ভাইৰাছ হলে কাঁহ , অভূক, ক্লান্তি, শ্বাস কষ্ট ,পেশীৰ বিষ আৰু গাঁঠিৰ বিষ আদি অতি সাধাৰণ লক্ষণ। লগতে উকালি বমি,পেটচলা , হাঁচি নাকৰ পৰা পানী ওলোৱা ডিঙিৰ বিষ , ছালৰ ক্ষতি, কমকৈ দেখা লক্ষণ আদি ।তাতকৈ ডাঙৰ কথা , কি তঁহতে জান !কি বুলি দুয়ো প্ৰশ্ন কৰিলে ।এই বেমাৰ টিৰ বৰ্তমান সময়লৈকে কোনো ধৰণৰ সঠিক চিকিৎসা ব্যৱস্থা ওলোৱা নাই ।এই বেমাৰ টিৰ পৰা হাত সাৰিবলৈ একমাত্ৰ উপাইবোৰ হল - সামাজিক দূৰত্ব বজাই ৰখা ,মাস্ক পৰিধান কৰা , ঘনাই -ঘনাই চাবোনেৰে হাত ধুব লাগে ,চেনিট্টাইজাৰ ব্যৱহাৰ কৰা আদি বোৰেই প্ৰধান ।এতিয়া বুজিলি নাই ?বুলি কণৰ ককাইয়েকে দুয়োতাকে প্ৰশ্ন কৰিলে ।

মন আৰু কণ দুয়োটাই ক'লে বুজি পালোঁ , এই বেমাৰ টি আমাৰ গাত নহ'বলৈ হ'লে আমি নিজেই সাৰধান হব লাগিব। তেহে এখন কৰুণা মুক্ত ,ভাৰত গঢ় লৈ উঠিব।